DAILY ASSAM

# অধ্যায় ১
# শিক্ষাৰ ধাৰণা আৰু লক্ষ্য

**বিষয়বস্তু**

(ক) **শিক্ষা কি?**

শিক্ষাৰ বুৎপত্তিগত অৰ্থ

শিক্ষাৰ সংজ্ঞা

শিক্ষাৰ সংকীৰ্ণ আৰু ব্যাপক অৰ্থ

দ্বিপক্ষীয় আৰু ত্ৰি-পক্ষীয় প্ৰক্ৰিয়া স্বৰূপে শিক্ষা

জীৱনব্যাপি প্ৰক্ৰিয়া স্বৰূপে শিক্ষা

আচৰণৰ সংশোধন স্বৰূপে শিক্ষা

সমাজ পৰিৱৰ্তনৰ আহিলা স্বৰূপে শিক্ষা

**শিক্ষাৰ পৰিসৰ শিক্ষাৰ প্ৰকাৰ**

আনুষ্ঠানিক শিক্ষা

অনানুষ্ঠানিক শিক্ষা

অনৌপচাৰিক শিক্ষা

(খ) **শিক্ষাৰ লক্ষ্য**

ব্যাক্তিকেন্দ্ৰিক লক্ষ্য

সমাজকেন্দ্ৰিক লক্ষ্য

বৃত্তিমুখী লক্ষ্য

গণতান্ত্ৰিক লক্ষ্য

(গ) **শিক্ষাৰ লগত সম্বন্ধ থকা বিষয়সমূহ**

জীৱবিদ্যাৰ লগত থকা সম্বন্ধ

সমাজশাস্ত্ৰ বিজ্ঞানৰ লগত থকা সম্বন্ধ

দৰ্শনৰ লগত থকা সম্বন্ধ

অৰ্থবিজ্ঞানৰ লগত থকা সম্বন্ধ

পৰিসংখ্যা বিজ্ঞানৰ লগত থকা সম্বন্ধ

**উদ্দেশ্য**

এই পাঠটি অধ্যয়ন কৰি তুমি

- শিক্ষা মানে কি বুজিবলৈ সক্ষম হ'বা।
- শিক্ষাৰ পৰিসৰৰ বিষয়ে সবিশেষ জানিব পাৰিবা।
- শিক্ষাৰ বিভিন্ন প্ৰকাৰৰ ব্যাখ্যা কৰিবলৈ সক্ষম হ'বা।
- বিভিন্ন শিক্ষাবিদে আগবঢ়োৱা শিক্ষাৰ লক্ষ্যসমূহৰ বিষয়ে জানিব পাৰিবা।
- শিক্ষাৰ লগত থকা জীৱবিজ্ঞান, সমাজশাস্ত্ৰ বিজ্ঞান, দৰ্শন, অৰ্থনীতি আৰু পৰিসংখ্যা বিজ্ঞানৰ সম্বন্ধৰ বিষয়ে বুজিব পাৰিবা।

DAILY ASSAM



## প্ৰস্তাৱনা

স্কুলীয়া শিক্ষাৰ অন্তত যেতিয়া তুমি প্ৰথম বাৰৰ বাবে 'শিক্ষা' ঐচ্ছিক বিষয় হিচাপে নিৰ্বাচন কৰিছিলা, তেতিয়া হয়তো তোমাৰ মা-দেউতা, বন্ধু-বান্ধৱীয়ে প্ৰশ্ন কৰিছিল 'এই বিষয়টো তুমি কিয় নিৰ্বাচন কৰিলা?' 'তুমি এই বিষয়ৰ পৰা কি শিকিবা?' ইত্যাদি। 'শিক্ষা' বিষয়টোৰ প্ৰতি তোমাৰ ধাৰণা স্পষ্ট নাথাকিবও পাৰে। এই অধ্যায়ৰ সহায়ত তোমাৰ ধাৰণা স্পষ্ট হ'ব।

এই অধ্যায়ত তোমাক শিক্ষাৰ ধাৰণা আৰু লক্ষ্যৰ লগত পৰিচয় কৰাই দিয়া হ'ব। শিক্ষা হৈছে এক জীৱন ব্যাপি চলা প্ৰক্ৰিয়া। সময়ে সময়ে শিক্ষাৰ ধাৰণাৰ সলনি হয়। শিক্ষাৰ পৰিসৰ সম্পৰ্কেও এই অধ্যায়তে তুমি জানিব পাৰিবা। শিক্ষাৰ পৰিসৰে আমাৰ জীৱন সফল কৰি তুলিব পৰা সকলোবোৰ চিন্তাধাৰা আৰু কাৰ্যক্ৰমনিকাকেই সাঙুৰি লয়। ইয়াৰ লগতে শিক্ষাৰ লক্ষ্য আৰু প্ৰকাৰৰ লগতো তোমাক পৰিচয় কৰোৱা হ'ব। এই অধ্যায়ৰ অন্তত তুমি শিক্ষাৰ লগত থকা জীৱবিজ্ঞান, সমাজশাস্ত্ৰ বিজ্ঞান, দৰ্শন, অৰ্থবিজ্ঞান, আৰু পৰিসংখ্যা-বিজ্ঞানৰ সম্বন্ধৰ বিষয়েও জানিব পাৰিবা।

## (ক) শিক্ষা কি?

'শিক্ষা' শব্দটোৰ তাৎপৰ্য্য বৰ বহল। প্ৰত্যেকেই শিক্ষাক বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি পৃথক পৃথক ধাৰণাৰ সৃষ্টি কৰে। কাৰোবাৰ বাবে শিক্ষা হৈছে অভিজ্ঞতা আহৰণ। অন্য এজনৰ মতে শিক্ষা হৈছে পৰিৱেশৰ লগত খাপ খাব পৰা ক্ষমতা। কোনোবাজনৰ মতে, হয়তো অন্তৰ্নিহিত মানসিক শক্তিকেই বিকশাই তোলাৰ কথা বুজোৱা হৈছে।

শিক্ষাৰ দ্বাৰা কেৱল শিশুক শিকোৱাৰ কথাই বুজোৱা হোৱা নাই বৰঞ্চ যি সকল প্ৰাপ্ত বয়স্ক লোকে জীৱনৰ আগৰ কালছোৱাত শিক্ষা লাভ কৰিব নোৱাৰিলে, সেই সকল লোককো সাঙুৰি লোৱা হৈছে। ই হৈছে শিক্ষক আৰু শিক্ষাৰ্থীয়ে গ্ৰহণ কৰা পৰিকল্পিত কাৰ্য্যসূচী যাৰ দ্বাৰা শিক্ষাৰ্থীৰ চৰিত্ৰৰ সংশোধন কৰিবলৈ বিচৰা হয়।

### শিক্ষাৰ বুৎপত্তিগত অৰ্থ

'শিক্ষা' শব্দটো লেটিন শব্দ 'E' আৰু 'Duco'ৰ পৰা উৎপত্তি হোৱা বুলি ক'ব পাৰি। 'E' ৰ অৰ্থ হৈছে 'য' ৰ পৰা আৰু 'Duco' ৰ অৰ্থ হৈছে 'মই আগবাঢ়ো।'

**মনত ৰাখিবলগীয়া ঃ**

শিক্ষাৰ ইংৰাজী প্ৰতিশব্দ 'Education' শব্দটো লেটিন শব্দ 'E' 'Duco', 'Educere', 'Educare', আৰু 'Educatum' ৰ পৰা উৎপত্তি হোৱা বুলি কোৱা হয়। ইয়াৰে 'E' 'Duco', আৰু 'Educere' এ ব্যক্তিৰ অন্তৰ্নিহিত শক্তিৰ বিকাশৰ কথা সূচায় আৰু 'Educare', আৰু 'Educatum' এ ব্যক্তিৰ বিকাশৰ ক্ষেত্ৰত বহিঃশক্তিৰ প্ৰভাৱৰ কথা সূচায়।

অন্য এটা লেটিন শব্দ 'Educare' ৰ পৰাও 'শিক্ষা' শব্দৰ উৎপত্তি হোৱা বুলি ক'ব পৰা যায়। 'Educare' ৰ অৰ্থ হৈছে 'বৃদ্ধি কৰা', বিকাশ কৰা, 'উন্নতি কৰা', 'আগবঢ়া' ইত্যাদি। শিক্ষাই ব্যক্তিৰ অন্তৰ্নিহিত শক্তি সমূহৰ বিকাশ কৰাৰ কথাই বুজোৱা হয়।

উল্লেখিত এই দুয়োটা শব্দৰ অৰ্থতকৈ কিছু ভিন্ন অৰ্থকাৰী আন দুটা লেটিন শব্দও পোৱা যায়। ইয়াৰে এটা হৈছে 'Educare' যাৰ অৰ্থ 'to nourish' অৰ্থাৎ অথবা 'লালন-পালন কৰা'। ইয়াত ব্যক্তিৰ বিকাশযোগ্য অন্তৰ্নিহিত শক্তিৰ অস্বীকাৰ কৰি বহিঃশক্তি অৰ্থাৎ পৰিৱেশৰ প্ৰভাৱৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। ইয়াৰ আনটো শব্দ 'Educatum' যাৰ অৰ্থ 'the act of teaching' অৰ্থাৎ 'শিক্ষাদান কাৰ্য'। ইয়াৰ যোগেদিও ব্যক্তি বিকাশৰ ক্ষেত্ৰত বহিঃশক্তিৰ বিশেষকৈ শিক্ষকৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

শিক্ষা সমাজবিজ্ঞানৰ আটাইতকৈ আৱশ্যকীয় অংশ। শিক্ষা এদিনৰ সৃষ্টি নহয়। ই হ'ল জীৱন জোৰা এক প্ৰচেষ্টা। এই প্ৰচেষ্টাই ব্যক্তিক সমাজত শাৰীৰিক, মানসিক আৰু আবেগিকভাৱে পুৰঠ হ'বলৈ শিকায়। বৈচিত্ৰ্যময় সংসাৰত শিক্ষাই মানুহক 'মানুহ' হিচাপে বাস কৰিবলৈ সুযোগ আৰু সুবিধা দিয়ে আৰু সুখ-দুখ, আনন্দ-বিষাদ, পোৱা-নোপোৱাৰ মাজত স্থাপিত হ'বলৈ শিকায়।

প্ৰথম অৱস্থাত ঠিক জন্মৰ পাছতেই শিশু এটাই বৰ আহুকালত পৰে। মাক-দেউতাক আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ সহযোগিতাৰ অবিহনে শিশুটোৱে জীয়াই থকাৰ অসুবিধা হয়।

শিশুটোৱে প্ৰথমেই আহাৰ আৰু নিৰাপত্তাৰ বাবে মাকৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। মাকেই শিশুৰ জীৱন সুখ আৰু স্বাচ্ছন্দ্যময় কৰি তুলিব পাৰে। লাহে লাহে পৰিয়ালৰ অন্যান্য সদস্যৰ পৰা শিশুটোৱে নিৰাপত্তা আহৰণৰ উপৰিও শিক্ষা আহৰণ কৰিবলৈ লয়। শিক্ষাগ্ৰহণৰ

**কাৰ্যাৱলী-১**

জন্ম হোৱা শিশু এটাৰ কথা চিন্তা কৰাচোন। জন্মৰ পাছতেই সি খুউব কান্দিবলৈ লয়। জন্মৰ পাছতেই পোৱা নতুন পৰিৱেশটো তাৰ বাবে সম্পূৰ্ণ নতুন, অচিনাকি। নিজকে পৰিৱেশৰ লগত খাপ খুৱাবলৈ সি কেৱল কান্দিয়ে থাকে। এই সময়তে মাকে আহাৰ প্ৰদান কৰি কন্দোনৰ উপশম ঘটায়। এইদৰেই শিশুটোৱে ডাঙৰ-দীঘল হ'বলৈ লয়। একেটা পৰিৱেশত নিজকে চিন্তা কৰাচোন— কিদৰে শৈশৱ অৱস্থাৰ পৰা বৰ্তমানৰ অৱস্থালৈ তুমি আহিব পাৰিলা? এই স্তৰত উপনীত হ'বলৈ তোমাক কোনে সহায় কৰিলে আৰু ভৱিষ্যৎ জীৱনটো, বৃদ্ধাৱস্থালৈ তোমাক কোনে সহায় কৰিব?

লগতে বিভিন্ন কাম-কাজো শিকিবলৈ লয়, বিভিন্ন কথা শিকে আৰু কল্পনাশক্তিৰে বিকাশ সাধন হৈ প্ৰাপ্তবয়স্ক হৈ পৰে।

কিন্তু ওপৰোক্ত বিষয়সমূহৰ শিক্ষা আহৰণ শিশুটোৱে কেবল নিজেই কৰিব নোৱাৰে। সমাজত স্থাপন হোৱা শিক্ষানুষ্ঠানত শিশুটোৱে শিক্ষা আহৰণ কৰিবলৈ লয়। বিদ্যালয়, মহাবিদ্যালয়বোৰ স্থাপন হৈছে শিক্ষাৰ্থীক শিক্ষা প্ৰদানৰ উদ্দেশ্যেই। সেইদৰে অভিজ্ঞ, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষককো এই শিক্ষানুষ্ঠানবোৰত নিযুক্তি দিয়া হয় শিক্ষাপ্ৰদানৰ উদ্দেশ্য আগত ৰাখিয়েই। সম্পূৰ্ণ শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়াটোৱেই হৈছে এক ‘গতিশীল প্ৰক্ৰিয়া’। জন্মৰ পৰা জীৱনৰ অন্তিম মুহূৰ্তলৈ চলা এই প্ৰক্ৰিয়াক সেয়েহে ‘জীৱন ব্যাপি চলা প্ৰক্ৰিয়া’ বুলি কোৱা হয়। ঘৰ, বিদ্যালয়, খেলপথাৰ আদি সকলো ক্ষেত্ৰতে শিক্ষাৰ্থীয়ে আহৰণ কৰা অভিজ্ঞতাসমূহক শিক্ষাত সাঙুৰি লোৱা হয়। এই প্ৰক্ৰিয়াৰ সহায়তে শিক্ষাৰ্থীয়ে নিজস্ব আচৰণৰ আৰু চৰিত্ৰৰ সংশোধন কৰিব পাৰে।

### শিক্ষাৰ সংজ্ঞা

ভিন ভিন শিক্ষাবিদে শিক্ষাৰ সংজ্ঞা ভিন্নৰূপে দাঙি ধৰিছে। যিহেতু প্ৰত্যেক ব্যক্তিৰ শিক্ষা অভিজ্ঞতা আৰু জীৱন দৰ্শন বেলেগ বেলেগ, সেয়েহে তেওঁলোকে দাঙি ধৰা সংজ্ঞা বেলেগ বেলেগ হোৱাটো নিতান্তই স্বাভাৱিক। তলত প্ৰাচ্য আৰু পাশ্চাত্যৰ শিক্ষাবিদসকলে আগবঢ়োৱা কেইটামান সংজ্ঞা দাঙি ধৰা হ'ল—

গ্ৰীক দাৰ্শনিক চক্ৰেটিছৰ মতে,

‘ভুল দূৰীভুত কৰা আৰু সত্যৰ আৱিস্কাৰ কৰাই হ'ল শিক্ষা।’

প্লেটোৰ মতে,

‘শিক্ষা হ'ল সমাজ আৰু ব্যক্তিৰ মাজত চলি থকা এটা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া ব্যক্তিৰ দেহ, আত্মাৰ লগত জড়িত। এই প্ৰক্ৰিয়াই এজন ব্যক্তিৰ সুখ আনন্দ যথা সময়ত লভিবলৈ সক্ষম কৰে।’

দাৰ্শনিক এৰিষ্ট'টলৰ মতে,

‘শিক্ষাই সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে।’

পেষ্টাল'জিৰ মতে,

‘মানুহৰ অন্তৰ্নিহিত শক্তিৰ স্বাভাৱিক সু-সামাঞ্জস্য আৰু প্ৰগতিশীল বিকাশেই হ'ল শিক্ষা।’

জন ডিউইৰ মতে,

‘শিক্ষা হৈছে এক জীৱন ব্যাপি চলা প্ৰক্ৰিয়া, যাৰ যোগেদি অভিজ্ঞতাৰ পুনৰ নিৰ্মাণ কৰিব পৰা যায়।’

পাৰ্চি নানৰ মতে,

‘শিক্ষা হৈছে শিশুৰ ব্যক্তিত্বৰ পূৰ্ণবিকাশ যাৰ সহায়েৰে সি তাৰ সৰ্বোৎকৃষ্ট ক্ষমতা অনুযায়ী মানৱ জীৱনৰ প্ৰতি নিজৰ মৌলিক বৰঙণি আগবঢ়াব পাৰে।’

মহাত্মা গান্ধীৰ মতে,

DAILY ASSAM



'শিক্ষাৰ দ্বাৰা মই শিশুৰ দৈহিক, মানসিক, আধ্যাত্মিক সকলো প্ৰকাৰৰ বিকাশৰ কথা বুজো।'

স্বামী বিবেকানন্দৰ মতে,

'মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ বাহ্যিক বিকাশেই হ'ল শিক্ষা।'

**কাৰ্যাৱলী - ২**

প্ৰাচ্য আৰু পাশ্চাত্যৰ শিক্ষাবিদ সকলে আগবঢ়োৱা শিক্ষাৰ সংজ্ঞাসমূহ পৃথকে বাছি উলিওৱা।

**শিক্ষাৰ সংকীৰ্ণ আৰু ব্যাপক অৰ্থ**

সংকীৰ্ণ অৰ্থত শিক্ষা হৈছে সুপৰিকল্পিত আৰু সুসংগঠিত প্ৰক্ৰিয়া। বিশ্বাস কৰা হয় যে এটা শিশুৱে বিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰাৰ লগে লগে শিক্ষা আৰম্ভ হয়। শিক্ষকে বিদ্যালয়ত শিশুক বিভিন্ন শিক্ষা দি, সুঅভ্যাস গঠনত সহায় কৰাৰ উপৰি জীৱনৰ মূল্যবোধৰো শিক্ষা দিয়ে। বিদ্যালয়ত নিৰ্দিষ্ট পাঠ্যক্ৰম, অনুশাসন, শিক্ষণ পদ্ধতি মানি চলা হয়। ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ মাধ্যমেৰে নম্বৰ বা গ্ৰেড দিয়া হয়। প্ৰচলিত সমাজৰ সাংস্কৃতিক ঐতিহ্যসমূহ ভৱিষ্যৎ সমাজৰ উঠি অহা চামলৈ প্ৰেৰণ কৰাই হৈছে সংকীৰ্ণ অৰ্থত শিক্ষাৰ উদ্দেশ্য। ইয়াত শিক্ষাই কেৱল বিভিন্ন বিষয়ৰ জ্ঞান আহৰণৰ ওপৰতে গুৰুত্ব আৰোপ কৰে।

বহল অৰ্থত জন্মৰ পৰা মৃত্যুলৈকে এজন ব্যক্তিয়ে আহৰণ কৰা জ্ঞানকেই শিক্ষা বুলি কোৱা হয়। প্ৰত্যেক ব্যক্তিয়ে নিজৰ জীৱনৰ পৰাই শিক্ষা আহৰণ কৰে। বহল অৰ্থত শিক্ষা হ'ল— এক সামাজিক প্ৰক্ৰিয়া। সমাজৰ সকলো ধৰণৰ অনুষ্ঠানৰ লগত মানুহ জড়িত হৈ থাকে, সেয়েহে সমাজৰ লগত থকা ওতঃপ্ৰোত সম্বন্ধই এজন ব্যক্তিক শিক্ষিত কৰি তোলে। ব্যাপক অৰ্থত শিক্ষাক এজন ব্যক্তিৰ বিকাশ বুলি জনা যায়।

**দ্বিপক্ষীয় আৰু ত্ৰিপক্ষীয় প্ৰক্ৰিয়া স্বৰূপে শিক্ষা**

ছাৰ জন আদামছে তেখেতৰ 'Evolution of Educational Theory' নামৰ পুথিখনত শিক্ষাক এক দ্বিপক্ষীয় প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে। ইয়াত শিক্ষক আৰু শিক্ষাৰ্থীক দুটা পক্ষ হিচাপে চিহ্নিত কৰা হৈছে। তেখেতৰ মতে শিক্ষকৰ ব্যক্তিত্বই শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ বিকাশত প্ৰভাৱ পেলাব পাৰে। শিক্ষকে ছাত্ৰক জ্ঞান প্ৰদান কৰে। তেওঁৰ অবিহনে শিক্ষা উদ্দেশ্যহীন বুলি আখ্যা দিব পাৰি। ঠিক তেনেদৰে শিক্ষাৰ্থী অবিহনে শিক্ষকৰ কৰ্তব্য মূল্যহীন।

শিক্ষা


শিক্ষক... 〉.............................〈 ...শিক্ষাৰ্থী

উপনিষদৰ মতে দ্বিপক্ষীয় প্ৰক্ৰিয়াত শিক্ষকে ছাত্ৰক জ্ঞান প্ৰদান কৰে। আলোচনাৰ মাধ্যমেৰে দুয়োৰে মাজত সংযোগ সাধন হয়। গোটেই

| মনত ৰাখিবলগীয়া - শিক্ষা | |
|---|---|
| সংকীৰ্ণ অৰ্থত | বহল অৰ্থত |
| (১) শিক্ষা হৈছে পৰিকল্পিত আৰু সুসংগঠিত প্ৰক্ৰিয়া। | (১) শিক্ষা হৈছে জীৱন ব্যাপি চলা এটা প্ৰক্ৰিয়া। |
| (২) বিদ্যালয়, মহাবিদ্যালয় আদি শিক্ষানুষ্ঠানত শিক্ষা প্ৰদান কৰা হয়। | (২) শিক্ষা জন্মৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈ প্ৰচলিত। |
| (৩) বিজ্ঞ লোকে এই ব্যৱস্থাত শিক্ষা প্ৰদান কৰে। | (৩) বাস্তৱ জীৱনত লাভ কৰা বিভিন্ন অভিজ্ঞতাই শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰে। |
| (৪) সংকীৰ্ণ অৰ্থত শিক্ষাৰ উদ্দেশ্য হৈছে জ্ঞান আহৰণ কৰা আৰু পৰীক্ষাত উত্তীৰ্ণ হোৱা। | (৪) ব্যাপক অৰ্থত শিক্ষাৰ উদ্দেশ্য হৈছে ব্যক্তিৰ সামগ্ৰিক বিকাশত সহায় কৰা। |

শিক্ষা প্ৰক্ৰিয়াটো চলি থাকে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত ঘটা সম্পৰ্কৰ মাধ্যমেৰে।

জন ডিউইৰে শিক্ষাক 'ত্ৰিপক্ষীয় পদ্ধতি' হিচাপে অভিহিত কৰিছে।




শিক্ষক আৰু শিক্ষাৰ্থীৰ বাহিৰেও সামাজিক পৰিৱেশে শিক্ষা ফলপ্ৰসূ কৰি তোলে। শিশুৱে সামাজিক পৰিৱেশতেই ডাঙৰ-দীঘল হয়। শিক্ষকে শিক্ষাৰ্থীৰ আগ্ৰহ অভিৰুচি অনুযায়ী শিক্ষাৰ আঁচনি প্ৰস্তুত কৰিব লাগে, শিক্ষা প্ৰদান কৰিব লাগে, উচিত মূল্যায়ন কৰিব লাগে। সামাজিক পৰিৱেশত যাতে শিক্ষাৰ্থীসকলে ভালদৰে খাপ খাব পাৰে তাৰ বাবে চেষ্টা কৰিব লাগে। একোখন সমাজে শিক্ষাৰ উদ্দেশ্য, শিক্ষণ পদ্ধতি নিৰূপণ কৰে। শিক্ষকে সমাজৰ প্ৰয়োজন অনুযায়ী শিক্ষাৰ্থীৰ আচৰণৰ সংশোধন কৰিবলৈ বিচাৰে। শিক্ষা সদায় সামাজিক প্ৰয়োজন পূৰাব পৰাকৈ প্ৰস্তুত কৰিব লাগে। শিক্ষাৰ ত্ৰিপাক্ষিক প্ৰক্ৰিয়াত প্ৰতিটো পক্ষই নিজস্ব ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত, ছাত্ৰ হ'ল ক্ৰিয়াৰ ভূমিকা গ্ৰহণকাৰী, শিক্ষক হ'ল ক্ৰিয়া পৰিচালনাকাৰী, আৰু সামাজিক পৰিৱেশ হ'ল শিক্ষা বিষয় আৰু তাৰ গতি নিৰ্ধাৰণকাৰী। এই তিনিওটা পক্ষৰ পাৰস্পৰিকতাই শিক্ষাত গণতন্ত্ৰৰ নীতি কাৰ্যকৰী কৰি তুলিব পাৰে।

DAILY ASSAM



### জীৱনব্যাপি প্ৰক্ৰিয়া স্বৰূপে শিক্ষা

জন্মৰ পৰা মৃত্যুলৈকে শিক্ষা মানুহৰ জীৱনত অবিৰতভাৱে চলি থাকে। এই শিক্ষা মানুহৰ জীৱনত কেতিয়াও সমাপ্তি হ'ব নোৱাৰে। আনুষ্ঠানিক শিক্ষাৰ এক আৰম্ভণি আৰু সমাপ্তিৰ কাল আছে। ইয়াৰ নিৰ্দিষ্ট অধ্যয়ন আৰু ক্ৰিয়া পৰিসৰ থাকে। এনে পৰিসৰৰ অধ্যয়নৰ অন্তত সমাপ্তি ঘোষণা কৰা হয় আৰু অৰ্জিত জ্ঞানৰ মূল্যায়ন কৰি যোগ্যতাৰ মানপত্ৰ প্ৰদান কৰা হয়। কিন্তু, সমগ্ৰ জীৱন ব্যাপি আগুৰি থকা বহল দৃষ্টিকোণৰ পৰা বিবেচনা কৰা শিক্ষাৰ এনেবোৰ সীমাৱদ্ধতা নাথাকে। শিক্ষা আমাৰ ব্যক্তিগত আৰু সামাজিক পৰ্যায়ত চলি থকা ক্ৰিয়া প্ৰচেষ্টা যাৰ সহায়েৰে আমি বিকাশৰ উৰ্দ্ধ স্তৰলৈ ক্ৰমাগতভাৱে আগুৱাই যাব পাৰো। কিন্তু, ইয়াৰ শীৰ্ষ বিন্দুত উপনীত হ'ব নোৱাৰো। সেয়েহে ইয়াক জীৱন ব্যাপি চলি থকা প্ৰক্ৰিয়া বুলি অভিহিত কৰিব পাৰি।

### আচৰণৰ সংশোধন স্বৰূপে শিক্ষা

শিক্ষাক মনোবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা মানুহৰ আচৰণৰ এক সংশোধন বা সংস্কাৰসাধন ব্যৱস্থা স্বৰূপে জনা যায়। এজন লোকে জন্মৰ পিছত তেওঁৰ সহজাত জৈৱিক প্ৰৱণতা আদিৰ যোগেদি মৌলিক প্ৰতিক্ৰিয়া আৰু আচৰণ প্ৰদৰ্শন কৰে। এনে আচৰণ স্বাভাৱিকতেই হয় ৰূঢ়, অশোধিত আৰু পশু প্ৰবৃত্তিমূলক। এনে আচৰণে মানুহক তেওঁৰ পৰিৱেশৰ নতুন পৰিস্থিতিত সন্মুখীন হোৱাত আৰু তাৰ সমাধান কৰাত সহায় কৰিব নোৱাৰে।

সেইবাবে আমাৰ দেহ মানসিক বিকাশৰ কালছোৱাত শিক্ষাৰ যোগেদি অশোধিত প্ৰবৃত্তিমূলক আচৰণসমূহৰ সংশোধন আৰু উন্নীতকৰণ কৰি তুলিব লাগে। শিক্ষাইহে মানুহৰ মনক নিজ জৈৱিক পৰ্যায়ৰ পৰা উন্নীত কৰি মানৱতাৰ উচ্চ পৰ্যায়লৈ লৈ যোৱাৰ প্ৰেৰণা যোগাব পাৰে, নতুন আশা-আকাংক্ষা মনত জগাই তুলিব পাৰে।

**কাৰ্যাৱলী - ৩**

তোমালোকে শ্ৰেণীকোঠাতে কেইটামান দলত বিভক্ত হৈ নিম্নলিখিত বিষয়সমূহৰ লগত শিক্ষাৰ অৰ্থ কিদৰে প্ৰকাশ কৰিব পাৰি আলোচনা কৰা—

(ক) কলা স্বৰূপে শিক্ষা

(খ) বিজ্ঞান স্বৰূপে শিক্ষা

(গ) সমাযোজন স্বৰূপে শিক্ষা

(ঘ) সংস্কৃতিৰ সংৰক্ষক আৰু বিকাশক স্বৰূপে শিক্ষা

(ঙ) বিকাশস্বৰূপে শিক্ষা

### সমাজ পৰিৱৰ্তনৰ আহিলা স্বৰূপে শিক্ষা

শিক্ষাই হৈছে সমাজৰ শক্তিশালী আহিলা, যি সামাজিক পৰিৱৰ্তনৰ মুখ্য ভূমিকা ল'ব পাৰে। শিক্ষাই সামাজিক পৰিৱৰ্তনৰ ইচ্ছা মানুহৰ মনত যিমান সোনকালেই জগাই তুলিব পাৰে, অইন কোনো বস্তুৱে সেই ভূমিকা ল'ব নোৱাৰে। শিক্ষাৰ দ্বাৰা মানুহৰ মনত থকা কুসংস্কাৰ, কুঅভ্যাস আদি গুচাব পাৰি। ফলস্বৰূপে সামাজিক উন্নতি আৰু প্ৰগতি আশা কৰিব পাৰি। সেয়েহে শিক্ষাক সামাজিক পৰিৱৰ্তনৰ এক শক্তিশালী আহিলা হিচাপে গণ্য কৰিব পাৰি।

### শিক্ষাৰ পৰিসৰ

পৰিসৰ বুলিলে সাধাৰণতে আমি পৰিসীমা বুলিয়ে বুজো। পদাৰ্থবিদ্যা, ৰসায়নবিদ্যা আদি বিষয়সমূহক নিৰ্দিষ্ট পৰিসৰ বা পৰিধিৰ মাজত আৱদ্ধ কৰিব পাৰি। শিক্ষা বিষয়টোক নিৰ্দিষ্ট পৰিধিৰ মাজত আৱদ্ধ কৰিব নোৱাৰি।

শিক্ষাই ব্যক্তিৰ সামুহিক বিকাশ যেনে শাৰীৰিক, মানসিক, নৈতিক, সামাজিক আৰু আধ্যাত্মিক বিকাশৰ কথা সূচায়। এটা শিশুৰ জন্ম মুহূৰ্তৰ পৰাই শিক্ষাৰ আৰম্ভণি হয় আৰু মৃত্যু পৰ্যন্ত চলি থাকে। গতিকে গোটেই জীৱনটোৱেই শিক্ষাৰ পৰিসৰৰ ভিতৰত পৰে। সামাজিক নীতি, ভাষা আদিও শিক্ষাৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

সময়ৰ লগে লগে শিক্ষাৰ পৰিসৰো বিস্তৃত হৈ আহিছে। সেয়েহে সকলো দিশৰ বিশ্লেষণাত্মক অধ্যয়নৰ প্ৰয়োজন।

### শিক্ষাৰ প্ৰকাৰ

শিক্ষা আহৰণৰ ক্ষেত্ৰ, প্ৰক্ৰিয়া আৰু পদ্ধতিলৈ লক্ষ্য কৰিলে ইয়াক আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অনৌপচাৰিক স্বৰূপে ভাগ কৰিব পাৰি।

### আনুষ্ঠানিক শিক্ষা

আনুষ্ঠানিক শিক্ষা বিদ্যালয়, মহাবিদ্যালয় বা তেনে কোনো অনুষ্ঠানৰ জৰিয়তে দিয়া হয়। এই শিক্ষা ব্যৱস্থা সুপৰিকল্পিত আৰু উদ্দেশ্য-প্ৰণোদিত। আনুষ্ঠানিক শিক্ষা পদ্ধতি নিৰ্ধাৰিত সময়সূচী, পাঠ্যক্ৰম, পৰীক্ষা ব্যৱস্থা, নীতি-নিয়ম, অনুশাসন আদিৰ দ্বাৰা নিয়ন্ত্ৰিত। ইয়াত ছাত্ৰৰ মূল্যায়ন পৰীক্ষাৰ ওপৰত ভিত্তি কৰি কৰা হয়। কটকটীয়া নিয়ম প্ৰণালী মানিবলৈ অপাৰগ হোৱা বহুতো পৰিয়ালৰ অনেক ল'ৰা-ছোৱালী আনুষ্ঠানিক শিক্ষাৰ চাৰিবেৰৰ মাজত সোমোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। আনুষ্ঠানিক শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী, ডিপ্ল'মা, প্ৰমাণপত্ৰ আদি লাভ কৰিব পাৰে।

আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন স্তৰ ঃ

স্নাতকোত্তৰ পৰ্যায়
স্নাতক পৰ্যায়
উচ্চতৰ মাধ্যমিক
মাধ্যমিক
প্ৰাথমিক
নিম্ন প্ৰাথমিক
প্ৰাক্ প্ৰাথমিক

DAILY ASSAM





চিত্ৰ ঃ আনুষ্ঠানিক শিক্ষানুষ্ঠান

### অনানুষ্ঠানিক শিক্ষা

অনানুষ্ঠানিক শিক্ষা আনুষ্ঠানিক শিক্ষাতকৈ বহল পৰিসৰৰ। এই শিক্ষা পূৰ্বপৰিকল্পিত নহয়। বিদ্যালয় মহাবিদ্যালয় আদি শিক্ষানুষ্ঠানৰ বাহিৰত অন্যান্য উৎসৰ পৰা পৰোক্ষভাৱে লাভ কৰা শিক্ষাক অনানুষ্ঠানিক শিক্ষা বুলি কোৱা হয়। এই শিক্ষাত শিক্ষাৰ্থীৰ ওপৰত কোনো ধৰাবন্ধা নিয়ম নাথাকে। অনানুষ্ঠানিক শিক্ষা মুক্তভাৱে ব্যক্তিয়ে নিজ নিজ পৰিৱেশত প্ৰয়োজন অনুসৰি লাভ কৰিব পাৰে। ইয়াত কোনো ধৰণৰ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকক নিযুক্তি দিয়া নহয়। এইবিধ শিক্ষা ব্যয়বহুল নহয় আৰু সেইবাবে সকলো শ্ৰেণীৰ আৰু বয়সৰ মানুহৰ বাবে উপযোগী। এই শিক্ষাৰ শেষত কোনো ধৰণৰ ডিগ্ৰী, ডিপ্লমা বা চাৰ্টিফিকেট দিয়া নহয়। সামাজিকভাৱে কৰা সমাযোজনৰ দ্বাৰা শিক্ষাৰ্থীক মূল্যায়ন কৰা হয়। অনানুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা হয় গৃহ, সমাজ, ধৰ্মীয় অনুষ্ঠান, অনাতাঁৰ, বোলছবি, ৰাজহুৱা পুথিভঁৰাল আৰু ব্যক্তি জীৱনৰ ভিন ভিন ক্ষেত্ৰত লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ দ্বাৰা। শিশু জন্ম হওঁতেই আৰম্ভ হোৱা এই শিক্ষা মৃত্যুৰ আগমুহূৰ্তলৈকে চলি থাকে।

### অনৌপচাৰিক শিক্ষা

আন্তঃৰাষ্ট্ৰীয় আয়োগে সৰ্বপ্ৰথমে অনৌপচাৰিক শিক্ষাৰ বিষয়ে উল্লেখ কৰে। আয়োগে 'Learning to be' নামৰ প্ৰতিবেদনত উল্লেখ কৰে যে যিসকল লোকে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব নোৱাৰে তেওঁলোকৰ বাবে সুকীয়াকৈ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। যদিও শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অৰ্থ প্ৰয়োগ কৰা হৈছে, এক বুজন অংশ ল'ৰা-ছোৱালীয়ে শিক্ষা সমাপ্ত নকৰাকৈয়ে শিক্ষানুষ্ঠান পৰিত্যাগ কৰিব লগা হৈছে। এনেবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰে একপ্ৰকাৰ শিক্ষাৰ ব্যৱস্থা কৰিছে। এই শিক্ষাৰ ব্যৱস্থাটোকে অনৌপচাৰিক শিক্ষা ব্যৱস্থা বুলি কোৱা হয়।

| আনুষ্ঠানিক শিক্ষা | অনানুষ্ঠানিক শিক্ষা |
|---|---|
| (১) পূৰ্ব পৰিকল্পিত | (১) স্বতঃস্ফুৰ্ত |
| (২) নিৰ্ধাৰিত সময়সীমা দিয়া থাকে। | (২) নিৰ্ধাৰিত সময়সীমা নাথাকে। |
| (৩) শিক্ষানুষ্ঠানৰ দ্বাৰা এই শিক্ষা প্ৰদান কৰা হয়। | (৩) অভিজ্ঞতাৰ দ্বাৰা এই শিক্ষা লাভ কৰিব পাৰি। |
| (৪) ইয়াত খৰচৰ প্ৰয়োজন আছে। | (৪) ইয়াত খৰছৰ প্ৰয়োজন নাই। |
| (৫) নিৰ্ধাৰিত পাঠ্যক্ৰম থাকে। | (৫) নিৰ্ধাৰিত পাঠ্যক্ৰম নাথাকে। |
| (৬) ইয়াত আৰম্ভণি আৰু শেষ দুয়োটা আছে। | (৬) ইয়াত আৰম্ভণি আৰু শেষ বুলি কোনো কথা নাথাকে। |
| (৭) ইয়াত কিছুমান ধৰাবন্ধা নিয়ম থাকে। | (৭) ইয়াত কোনো ধৰাবন্ধা নিয়ম নাথাকে। |
| (৮) ডিগ্ৰী, ডিপ্ল'মা, চাৰ্টিফিকেট প্ৰদান কৰা হয়। | (৮) কোনো ডিগ্ৰী, ডিপ্ল'মা, চাৰ্টিফিকেট প্ৰদান কৰা নহয়। |

অনৌপচাৰিক শিক্ষা ব্যৱস্থা, পূৰ্বপৰিকল্পিত আৰু সুসংগঠিত, কিন্তু আনুষ্ঠানিক শিক্ষাৰ দৰে ইমান শৃংখলাবদ্ধ নহয়। আনুষ্ঠানিক শিক্ষাৰ বাহিৰৰ এই শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি প্ৰাপ্তবয়স্কসকলেও বিভিন্ন শৈক্ষিক কাৰ্যসূচীৰ দ্বাৰা উপকৃত হ'ব পাৰে। ই শিক্ষাৰ্থীপ্ৰধান আৰু ইয়াৰ উদ্দেশ্যই হৈছে শিক্ষাৰ্থীৰ সামুহিক উন্নতি সাধন কৰা। এই শিক্ষা, শিক্ষাগ্ৰহণকাৰীৰ প্ৰয়োজন অনুসৰি নমনীয় আৰু গতিশীল কৰি তোলা হয়। ইয়াত শিক্ষাগ্ৰহণকাৰীৰ প্ৰয়োজন আৰু সময়-সুবিধা আদি সহানুভূতিৰে বিবেচনা কৰিহে শিক্ষাৰ নীতি-নিয়ম আৰু অনুশাসন ব্যৱস্থা গঢ় দি তোলা হয়। তেওঁলোকৰ সময়, শিক্ষা-অগ্ৰগতি আৰু ধন প্ৰয়োগৰ ক্ষেত্ৰত মিতব্যয়িতাৰ প্ৰতিও লক্ষ্য ৰখা হয়। ধনী-দুখীয়া নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে এই শিক্ষাগ্ৰহণ কৰিব পাৰে। শিক্ষাৰ অন্তত মূল্যায়নৰ ভিত্তিত শিক্ষাৰ্থীসকলক ডিগ্ৰী আৰু চাৰ্টিফিকেট আদি প্ৰদান কৰা হয়।


DAILY ASSAM



## আনুষ্ঠানিক আৰু অনৌপচাৰিক শিক্ষাৰ পাৰ্থক্য

| আনুষ্ঠানিক শিক্ষা | অনৌপচাৰিক শিক্ষা |
|---|---|
| (১) আনুষ্ঠানিক শিক্ষাৰ নিৰ্দিষ্ট ধাৰণা আৰু পাঠ্যক্ৰম থাকে। | (১) অনৌপচাৰিক শিক্ষাত শিক্ষাৰ্থীৰ প্ৰয়োজন অনুযায়ী বিভিন্ন ধৰণৰ পাঠ্যক্ৰম থকা দেখা যায়। |
| (২) নিৰ্ধাৰিত সময়সীমা দিয়া থাকে। | (২) নিৰ্ধাৰিত সময়সীমা নাথাকে। |
| (৩) বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ দ্বাৰা শিক্ষা প্ৰদান কৰা হয়। | (৩) মুক্ত বিশ্ববিদ্যালয়, যোগাযোগ পাঠ্যক্ৰম অংশকালীন শিক্ষা ব্যৱস্থা আদিৰ দ্বাৰা শিক্ষা প্ৰদান কৰা হয়। |
| (৪) শিক্ষকে শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰে। | (৪) আত্ম শিক্ষানীতি মানি লোৱা হয়। |
| (৫) নিৰ্দিষ্ট পাঠ্যক্ৰম, কঠোৰ অনুশাসন আৰু নিৰ্দিষ্ট শিক্ষাৰ লক্ষ্য থকা দেখা যায়। | (৫) পৰিৱৰ্তনশীল পাঠ্যক্ৰম, আত্ম অনুশাসন আৰু সজাগতাৰ ওপৰত নিৰ্ভৰশীল। |
| (৬) পৰীক্ষাৰ ভিত্তিত ডিগ্ৰী, ডিপ্ল'মা, চাৰ্টিফিকেট আদি প্ৰদান কৰা হয়। | (৬) মূল্যায়নৰ ভিত্তিত ডিগ্ৰী, চাৰ্টিফিকেট আদি প্ৰদান কৰা হয়। |
| (৭) বয়সৰ নিৰ্দিষ্ট সীমা থাকে। | (৭) বয়সৰ সীমা নাথাকে। |
| (৮) মানৱ সম্পদৰ সৰ্বতোপ্ৰকাৰ ব্যৱহাৰ নহয়। | (৮) মানৱ সম্পদ ব্যৱহাৰ হয়। |

মনত ৰাখিবলগীয়া



### (খ) শিক্ষাৰ লক্ষ্য

লক্ষ্য হৈছে এক বহল পৰিসৰৰ তাৎপৰ্যপূৰ্ণ শব্দ। ইয়াক কোনো ক্ৰিয়াৰ কেৱল ফল লাভ কৰা অথবা সমাপ্তি লাভ কৰাকেই মাথোন বুজোৱা নহয়। লক্ষ্যৰ প্ৰধান বৈশিষ্ট্য হৈছে কোনো ক্ৰিয়াৰ সমাপ্তি অথবা সম্ভাব্য পৰিণতি সম্বন্ধে আগতীয়াকৈ পৰিণাম জনাই দিয়া। বিভিন্ন দিশত বিকাশৰ বাবে শিশুৱে বা ছাত্ৰ-ছাত্ৰীয়ে যি কাম কৰে বা যি অভিজ্ঞতা লাভ কৰে তাকেই শিক্ষা বোলে। আনহাতে, যি ফল লাভ কৰিবৰ কাৰণে সেইবিলাক কাম কৰা হয় বা সেইবিলাক অভিজ্ঞতা লাভ কৰা হয় তাকেই শিক্ষাৰ লক্ষ্য বোলে। সংক্ষিপ্তভাৱে ক'বলৈ হ'লে, ব্যক্তিয়ে অভিজ্ঞতা লাভৰ বেলিকা কৰা শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক কামসমূহ হৈছে শিক্ষা আৰু এইবিলাক কাম কৰাৰ উদ্দেশ্যসমূহ হৈছে শিক্ষাৰ লক্ষ্য।

শিক্ষাৰ এক সৰ্বসন্মত লক্ষ্য নিৰ্ধাৰণ কৰি উলিয়াব নোৱাৰি। বিভিন্নজনে শিক্ষাৰ লক্ষ্য বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে। চাৰ পাৰ্চি নানৰ মতে, ব্যক্তিৰ জৈৱিক পৰিৱৰ্তন আৰু উৎকৰ্ষ সাধন কৰি সমাজৰ প্ৰতি নিজৰ মৌলিক অৱদান আগবঢ়োৱাটো শিক্ষাৰ লক্ষ্য হোৱা উচিত।

জন ডিউইৰ মতে, ব্যক্তিয়ে 'সামাজিক যোগ্যতা' আহৰণ কৰাই শিক্ষাৰ প্ৰকৃত লক্ষ্য হোৱা উচিত।

মহাত্মা গান্ধীয়ে তেওঁৰ বুনিয়াদী শিক্ষা পদ্ধতিৰ যোগেৰে আমাৰ দেশত শিক্ষাৰ এক সামাজিক আৰু গণতান্ত্ৰিক লক্ষ্য গঢ় দি তোলাৰ চেষ্টা কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, ভিন ভিন শিক্ষাবিদে আগবঢ়োৱা শিক্ষাৰ লক্ষ্যসমূহত কিছু মতানৈক্য আছে। যি কোনো ক্ষেত্ৰত কোনো কাৰ্যকৰী আঁচনি যুগুত কৰাৰ আগতে এক নিৰ্দিষ্ট লক্ষ্য স্থিৰ কৰি আগবাঢ়িব পাৰিলেহে সেই ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰাৰ সম্ভাৱনা থাকে। শিক্ষাৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য।

বিভিন্ন শিক্ষাবিদে শিক্ষাৰ লক্ষ্য বিভিন্ন ধৰণে দাঙি ধৰিছে। কেইটামান লক্ষ্য তলত উল্লেখ কৰা হ'ল ঃ–

**কাৰ্যাৱলী - 8**

শিক্ষাৰ লক্ষ্য, পদ্ধতি, পাঠ্যক্ৰম, অনুশাসন আৰু পৰীক্ষা পদ্ধতিৰ ক্ষেত্ৰত আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অনৌপচাৰিক শিক্ষাৰ তুলনা কৰা।

DAILY ASSAM



**ব্যক্তিকেন্দ্ৰিক লক্ষ্য**

এই লক্ষ্যত বিশ্বাস থকাসকলে কয় যে, সমাজখন ব্যক্তিক লৈয়েই গঠিত। গতিকে, ব্যক্তিৰ বিকাশ হ'লেহে সমাজৰ বিকাশ সম্ভৱ হ'ব।

দ্বিতীয়তে, তেওঁলোকে কয় যে, পৃথিৱীৰ সকলো মহৎ কাম কোনোবা নিৰ্দিষ্ট ব্যক্তিৰ দ্বাৰাহে সম্পন্ন হৈছে। গতিকে ব্যক্তিক অৱহেলা কৰাৰ কোনো প্ৰশ্ন উঠিব নোৱাৰে।

তৃতীয়তে, প্ৰত্যেক ব্যক্তিৰেই কিছুমান সুকীয়া বৈশিষ্ট্য আছে। গতিকে শিক্ষাই এই বৈশিষ্ট্যসমূহ আগত ৰাখি শিক্ষাৰ লক্ষ্য স্থিৰ কৰা উচিত হ'ব।

ইউৰোপৰ মধ্যযুগীয় প্ৰকৃতিবাদী দাৰ্শনিক ৰুচোৱে সৰ্বপ্ৰথমবাৰৰ বাবে শিশুৰ স্বভাৱ সুলভ গুণৰাশিৰ বাধাহীন বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁৰ মতে, সমাজ হৈছে, সকলোবোৰ অসুস্থ প্ৰভাৱৰ সংগ্ৰহালয় স্বৰূপ। পবিত্ৰ নিষ্কলুষ শিশু জন্মৰ পিছত সমাজৰ কলুষিত প্ৰভাৱত পৰে। ইয়াৰ ফলত সকলো সামাজিক অসুস্থতাৰ সি অধিকাৰী হৈ উঠে। সেয়েহে শিশুক প্ৰকৃতিৰ মাজত শিক্ষা দিয়াৰ কথা উল্লেখ কৰি তেওঁ প্ৰকৃতিৰ মাধ্যমেৰে শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিয়ে।

চাৰ পাৰ্চি নানে মত পোষণ কৰে যে, সমাজৰ প্ৰতিজন ব্যক্তিয়েই নিজৰ স্বকীয় অস্তিত্বৰ দ্বাৰা গঠিত। সুকীয়া বৈশিষ্ট্যৰে গঠিত ব্যক্তিসত্বাৰ পূৰ্ণবিকাশৰ বাবে আৱশ্যকীয় শিক্ষাৰ বাতাবৰণৰ সৃষ্টি কৰাই হৈছে শিক্ষাৰ লক্ষ্য।

পেষ্টাল'জিয়ে কয় 'মানুহৰ অন্তৰ্নিহিত শক্তিসমূহৰ স্বাভাৱিক, সংগতিপূৰ্ণ আৰু প্ৰগতিশীল বিকাশেই হৈছে শিক্ষা।'

এটা শিশুৱে জন্মগতভাৱে কিছুমান গুণ আয়ত্ব কৰে। শিক্ষাই এই গুণসমূহৰ সুস্থ বিকাশ সাধনত সহায় কৰিব লাগে। প্ৰত্যেক শিশুৱেই আনজনতকৈ পৃথক। শিক্ষাৰ দ্বাৰা শিশুৰ সংগতিপূৰ্ণ আৰু প্ৰগতিশীল বিকাশ সাধন হোৱা প্ৰয়োজন। শিক্ষাই ব্যক্তিসত্বাক সন্মান জনোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া প্ৰয়োজন। শিশুৱে শিক্ষা আহৰণ কৰি যাতে জনসাধাৰণৰ উন্নতিৰ অৰ্থে বৰঙণি আগবঢ়াব পাৰে, তাৰ ওপৰত গুৰুত্ব দিব লাগে। মানৱীয় গুণসমূহৰ বিকাশ সাধন কৰা শিক্ষাৰ লক্ষ্য হোৱা উচিত। শিক্ষাই কেৱল ব্যক্তিগত গুণৰ বিকাশৰ ওপৰতে গুৰুত্ব নিদি সামাজিক গুণৰ বিকাশৰ ওপৰতো গুৰুত্ব দিব লাগে। কাৰণ ব্যক্তি আৰু সমাজ পৃথক নহয় বৰঞ্চ এটাৰ উন্নতি নহ'লে আনটোৰ উন্নতি সম্ভৱ নহয়।

**কাৰ্যাৱলী - ৫**

আমি সকলোৱে ৰাতিপুৱা প্ৰাৰ্থনা কৰো। এই প্ৰাৰ্থনাৰ লক্ষ্য তুমি কি বুলি ভাবা?

উল্লেখিত দিশসমূহ চিত্র সহকাৰে দেখুওৱা হ'ল—

**ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ সবলতা**

(১) ব্যক্তিৰ বিকাশ অবিহনে সমাজৰ বিকাশ সম্ভৱ নহয়। সামাজিক বিকাশ ব্যক্তি বিকাশৰ ওপৰত একান্ত নিৰ্ভৰশীল।

(২) ব্যক্তিসম্বন্ধে বিবেচনা সমাজ সম্বন্ধীয় বিবেচনাতকৈ অধিক গুৰুত্বপূৰ্ণ। সেয়েহে, সমাজৰ বাবে ব্যক্তি আহিলা স্বৰূপ নহৈ ব্যক্তিৰ বাবেহে সমাজ আহিলা স্বৰূপ হোৱা প্ৰয়োজন।

(৩) ডাৰউইনৰ ক্ৰমবিবৰ্তনবাদ তত্ত্ব অনুসৰি আমাৰ জীৱনৰ প্ৰতি মূহূৰ্ততে পৰিৱেশ আৰু পৰিস্থিতিৰ লগত সংগ্ৰাম আৰু প্ৰতিদ্বন্দ্বিতাৰে আগুৱাব লাগে। এনে সংগ্ৰামত কেৱল যোগ্যজনেই নিজ অধিকাৰ লাভ কৰিব পাৰে। সেইবাবে ব্যক্তিক নিজ যোগ্যতা লাভৰ শিক্ষা দিয়াটো আমাৰ কৰ্তব্য।

(৪) প্ৰত্যেক ব্যক্তিয়ে নিজস্ব শক্তি ক্ষমতাৰে জন্ম গ্ৰহণ কৰে। সেয়েহে ব্যক্তি ভিন্নতাৰ ওপৰত লক্ষ্য কৰিহে ব্যক্তিক শিক্ষা দিয়া উচিত।

(৫) ব্যক্তিৰ আৱেগিক আৰু আনুভূতিক জীৱনৰ ফালৰ পৰাও এক সুকীয়া বৈশিষ্ট্য আছে। ব্যক্তিমনৰ আনুভূতিক জীৱনৰ এনেবোৰ নিজস্ব প্ৰয়োজন শিক্ষাৰ যোগেদি পূৰণ কৰা উচিত।

**ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ দুৰ্বলতা**

(১) এই লক্ষ্যই ব্যক্তিৰ জৈৱিক বংশগতিৰ ওপৰত গুৰুত্ব দি সামাজিক বংশগতিক অৱহেলা কৰিছে। কিন্তু, শিক্ষাৰ ফালৰ পৰা শিক্ষকে সামাজিক বংশগতিৰ প্ৰভাৱৰ প্ৰতিহে অধিক মনোযোগ দিয়া উচিত।


(২) মানুহৰ শিক্ষা অভিজ্ঞতা, প্ৰয়োজন আদি কেৱল জৈৱিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰা অনুচিত। জৈৱিক উপাদান আৰু বৈশিষ্ট্যৰ দ্বাৰা মানুহে জন্মলাভ কৰিলেও সামাজিক পৰিৱেশত বিবেকশীল আৰু বৌদ্ধিক ক্ৰিয়া আচৰণ গ্ৰহণ কৰিবলৈ শিকাটোহে শিক্ষাৰ লক্ষ্য হোৱা উচিত।

(৩) শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্যই আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ আৰু অসামাজিক লোকৰ সৃষ্টি কৰিব পাৰে। প্ৰতিজন লোকেই নিজ দেহ মানসিক ক্ষমতাৰে পূৰ্ণ বিকাশ লাভ কৰিলেও সি যদি সমাজমুখী হৈ নুঠে তেন্তে, তাৰ পৰা সৃষ্টিশীল আৰু গঠনাত্মক ক্ৰিয়া আশা কৰিব নোৱাৰি।

(৪) এই লক্ষ্যই শিক্ষিত শ্ৰেণী লোকক সমাজত সুস্থ সমাযোজন স্থাপনতো সহায় কৰিব নোৱাৰে। ইয়াৰ দ্বাৰা সমাজত শিক্ষিত আৰু অশিক্ষিত, যোগ্য আৰু অযোগ্য দুই শ্ৰেণীৰ লোকৰ সৃষ্টি হ'ব পাৰে।

DAILY ASSAM






(৫) এই লক্ষ্যই সমৰ্থন কৰা শিশুক সম্পূৰ্ণ স্বাধীনতা দিয়া কথাটো কল্পনা প্ৰসুত বুলিব পাৰি। কিয়নো অপৈণত শিশুক সম্পূৰ্ণ স্বাধীনতা দিলে তেওঁলোকৰ বিকাশত বহুতো বাধা আহি পৰিব, যিহেতু শিশুসকল সদায় পৰনিৰ্ভৰশীল সেয়েহে তেওঁলোকক স্বাধীনতা দিয়া কথাটো গ্ৰহণযোগ্য নহয়।

### সমাজকেন্দ্ৰিক লক্ষ্য

শিক্ষাৰ সমাজকেন্দ্ৰিক লক্ষ্যৰ ভাৱধাৰা পুৰণি গ্ৰীচ দেশৰ স্পাৰ্টা নগৰীৰ শিক্ষা ব্যৱস্থাত পোৱা যায়। এই লক্ষ্যৰ প্ৰধান পৃষ্ঠপোষক হ'ল জন ডিউই। তেওঁৰ মতে, শিক্ষাৰ লক্ষ্যই শিশুসকলক সমাজৰ যোগ্যতাসম্পন্ন ব্যক্তি হিচাপে গঢ় দিব লাগে। সমাজক বাদ দি এজন ব্যক্তিৰ ব্যক্তি হিচাপে কোনো পৰিচয় থাকিব নোৱাৰে। সমাজ বা ৰাষ্ট্ৰৰ অস্তিত্বৰ অবিহনে ব্যক্তিৰ উন্নতি কল্পনা কৰা অৰ্থহীন। শিক্ষাৰ প্ৰকৃত লক্ষ্য হৈছে, 'সামাজিক যোগ্যতা' আহৰণ কৰা। এই সামাজিক যোগ্যতাৰ দ্বাৰা ব্যক্তিৰ মন সমাজমুখী কৰি গঢ় দি তুলিব পাৰি।

সমাজকেন্দ্ৰিক শিক্ষাৰ লক্ষ্যই দেশ বা ৰাষ্ট্ৰৰ প্ৰয়োজনক ব্যক্তিৰ প্ৰয়োজনতকৈ উচ্চ বুলি কৈছে। এই লক্ষ্যৰ মতে, এজন ব্যক্তি এখন সমাজ বা দেশৰ তুলনাত সদায় তুচ্ছ। দলীয় জীৱনত আনৰ লগত ভাৱ আৰু কৰ্মৰ আদান-প্ৰদান কৰি সহযোগ, সহানুভূতি আৰু সহনশীলতাৰ মাজেদি জীৱন নিৰ্বাহ কৰিবলৈ শিক্ষাৰ্থীক প্ৰণালীৱদ্ধভাৱে শিক্ষা দিয়াটো

সমাজকেন্দ্ৰিক শিক্ষাৰ লক্ষ্য। এই লক্ষ্যই ব্যক্তিক সুনাগৰিক হিচাপে গঢ়ি উঠাত সহায় কৰে। সমাজৰ উন্নতি হ'লেই স্বতঃস্ফুৰ্তভাৱে সমাজত বাস কৰা ব্যক্তিৰো উন্নতি হ'ব।

সমাজকেন্দ্ৰিক লক্ষ্যৰ মুখ্য সমৰ্থক জন ডিউইয়ে তেওঁৰ বিখ্যাত গ্ৰন্থ 'Democracy and Education' ত এই লক্ষ্য সম্বন্ধে বহলাই আলোচনা কৰিছে। ৰেমণ্ট, ৰুছ, হেগেল আদি দাৰ্শনিকসকলেও এই লক্ষ্য সমৰ্থন কৰে।

**সমাজকেন্দ্ৰিক লক্ষ্যৰ সবলতা**

(১) সমাজপ্ৰিয়তা হৈছে, মানুহৰ এক সহজাত প্ৰবৃত্তি। সমাজ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। সেয়েহে শিক্ষাৰ লক্ষ্যই মানুহৰ এই সমাজমুখী স্বভাৱ বা প্ৰবৃত্তি অৱহেলা কৰিব নোৱাৰে।

(২) সামাজিক পৰিৱেশ অবিহনে ব্যক্তিৰ ক্ষমতা বা বিকাশ যোগ্যতা আৱিস্কাৰ কৰিব নোৱাৰি। সেয়েহে ব্যক্তিৰ যোগ্যতা উদ্ভাৱন কৰিবৰ বাবে এক বিশেষ সামাজিক পৰিৱেশৰ প্ৰয়োজন।

(৩) ব্যক্তিৰ নিজস্ব প্ৰয়োজন সমাজৰ প্ৰয়োজনৰ যোগেদি প্ৰতিবিম্বিত হয়। সেই বাবে ব্যক্তিৰ প্ৰয়োজন সমাজৰ প্ৰয়োজনতকৈ পৃথক হ'ব নোৱাৰে।

(৪) বৰ্তমান যুগত এজন মানুহে কেতিয়াও স্বয়ং সম্পূৰ্ণ জীৱন নিৰ্বাহ কৰিব নোৱাৰে। ব্যক্তিৰ সুখ-আনন্দ, আমোদ-প্ৰমোদ, শান্তি-প্ৰগতি আদিৰ বাবে মানুহে একান্তই সমাজৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়।

(৫) সমাজ হৈছে দেহৰ সকলো অংশৰ পূৰ্ণতাৰে গঢ়া এজন মানুহৰ দৰে আৰু ব্যক্তি হৈছে সেই দেহৰ একো একোটা ক্ষুদ্ৰ জীৱকোষৰ দৰে। দেহৰ বিকাশ সাধনৰ বাবে কোষে নিজ ভূমিকা গ্ৰহণ কৰাৰ দৰে সমাজৰ বিকাশৰ বাবেও ব্যক্তিয়ে নিজৰ অৰিহণা আগবঢ়াব লাগে।

**সমাজকেন্দ্ৰিক লক্ষ্যৰ দুৰ্বলতা**

(১) ইয়াত ব্যক্তিৰ অস্তিত্ব স্বীকাৰ কৰা নহয়। সেইবাবে ব্যক্তি বিশেষৰ সম্ভাৱনীয়তা সমূহ সম্পূৰ্ণকৈ বিকাশ হোৱাত প্ৰয়োজনীয় সুবিধা দিয়াৰ অৱকাশ নাথাকে।

**কাৰ্যাৱলী - ৬**

ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ সবলতা আৰু দুৰ্বলতা আৰু কি কি হ'ব পাৰে চিন্তা কৰা।

DAILY ASSAM



(২) নিজৰ দেশৰ প্ৰতি অত্যাধিক প্ৰেম জগাই তুলিলে চুবুৰীয়া দেশৰ প্ৰতি হিংসা আৰু বিদ্বেষৰ ভাৱ সৃষ্টি হোৱাৰ আশংকা থাকে।

(৩) দেশৰ বিকাশত অনবৰতে গুৰুত্ব দিয়া শিক্ষা ব্যৱস্থাত ব্যক্তিয়ে নিজৰ বিকাশৰ বাবে উচিত পৰিমাণৰ প্ৰেৰণা লাভ নকৰে।

(৪) সামাজিক লক্ষ্যই যোগ্যতাৰ ক্ষেত্ৰত থকা ব্যক্তি পাৰ্থক্যৰ প্ৰশ্নও অৱহেলা কৰা দেখা যায়। সকলো লোকেই সামাজিক পৰিৱেশত শিক্ষা লাভ কৰিলেও সকলোৰে পৰা শিক্ষাৰ পৰিণতি একে হোৱাটো আশা কৰিব নোৱাৰি।

(৫) সমাজক সৰ্বশক্তিমান বুলি বিবেচনা কৰিবলৈ যাওঁতে ব্যক্তিৰ নিজস্ব ক্ষমতা, প্ৰয়োজন আৰু ভূমিকা আদিৰ যথাযোগ্য বিবেচনা নকৰাটো ব্যক্তি আৰু সমাজ উভয়ৰ বাবেই ক্ষতিকাৰক।

**ব্যক্তিকেন্দ্ৰিক আৰু সমাজকেন্দ্ৰিক লক্ষ্যৰ সমন্বয়**

ব্যক্তি আৰু সমাজ এটা আনটোৰ পৰা কেতিয়াও পৃথক হ'ব নোৱাৰে। কাৰণ, দুয়োটা দুয়োটাৰে ওপৰত নিৰ্ভৰশীল। ব্যক্তিয়ে সমাজত প্ৰভাৱ পেলায় আৰু আনহাতে সমাজে ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ব্যক্তিৰ উন্নতিৰ দ্বাৰা সমাজৰ বিকাশ ঘটে আৰু বিকশিত সমাজে ব্যক্তিৰ ওপৰত অধিক সন্তোষজনক প্ৰভাৱ পেলাব পাৰে। সেয়েহে শিক্ষাৰ লক্ষ্য স্থিৰ কৰোতে এটাত বিশেষ গুৰুত্ব দি আনটোক অৱহেলা কৰিব নোৱাৰি।

প্লেটোৱে মত পোষণ কৰে যে, ব্যক্তিয়ে নিজ সম্ভাৱনীয়তা সমূহৰ অবাধে বিকাশ কৰিবলৈ এৰি দিয়াটো দেশৰ বাবেই মংগলৰ কথা। ইয়াৰ যোগেদিহে দেশ বা সমাজে সেই ব্যক্তিৰ পৰা সৰ্বোৎকৃষ্ট উপকাৰ লাভ কৰিব পাৰে।

জন ডিউইয়ে মত প্ৰকাশ কৰে যে, প্ৰগতিশীল সমাজ গঠন হ'বলৈ হ'লে মানুহক বৌদ্ধিক স্বাধীনতা দিয়া প্ৰয়োজন। সেইবাবে ব্যক্তিৰ আৰু সমাজৰ স্বাৰ্থ যথাযোগ্য পূৰণৰ বাবে গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰয়োজন। একোখন সমাজ মানুহৰ দ্বাৰাই গঠিত হয়। মানুহে সমাজ গঠন কৰে নিজে তাৰ পৰা উপকৃত হ'বৰ বাবে। সেয়েহে নিজ স্বাৰ্থ পূৰণৰ বাবেই সমাজৰ উন্নতিৰ প্ৰয়োজন আৰু ইয়াৰ বাবে প্ৰত্যেকজন লোকৰেই বৰঙণি থাকিব লাগে।

পাৰ্চি নানৰ দৃষ্টিভংগীতো ব্যক্তি আৰু সমাজ এই দুয়োটা দিশৰ সমন্বয়ৰ ভাৱ পৰিলক্ষিত হয়। তেওঁৰ মতে, ব্যক্তিৰ মুক্ত আদান-প্ৰদানৰ অবিহনে মানৱ জগতলৈ কোনো মংগল আহিব নোৱাৰে। সৰ্বসাধাৰণ লোকৰ জীৱনৰ সৈতে মুক্তভাৱে সামাজিক পৰিৱেশত সহযোগিতা লাভ কৰাটো অতি প্ৰয়োজন।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, ব্যক্তিকেন্দ্ৰিক আৰু সমাজকেন্দ্ৰিক শিক্ষাৰ লক্ষ্য প্ৰকৃততে পৰস্পৰ বিৰোধী নহয়, বৰঞ্চ এটা আনটোৰ পৰিপূৰকহে। ব্যক্তি আৰু সমাজ এই দুয়োটা দিশৰ সুস্থ সমন্বয়ে সুস্থ ব্যক্তিক সুস্থ সমাজত গঢ় দি তুলিব পাৰে। সেয়েহে, শিক্ষাৰ লক্ষ্য স্থিৰ কৰাৰ বেলিকা ব্যক্তি তথা সমাজ উভয়কে গুৰুত্ব দিব লাগিব। দুয়োটাৰ সুসমন্বয়ে পাৰস্পৰিক বিকাশ সম্ভৱপৰ কৰি তুলিব।

### বৃত্তিমুখী লক্ষ্য

কিছুমান শিক্ষাবিদে মত পোষণ কৰে যে, কেৱল মানসিক, দৈহিক আৰু সামাজিক গুণৰাশিৰ উৎকৰ্ষ সাধনেই শিক্ষাৰ লক্ষ্য হোৱা উচিত নহয়। এই গুণসমূহৰ উৎকৰ্ষ সাধন হোৱাৰ লগে লগে ব্যক্তিয়ে জীৱন নিৰ্বাহৰ বাবে উপযুক্ত শিক্ষা অৰ্জন কৰাটোও এক প্ৰয়োজনীয় কাম। গতিকে শিক্ষাৰ লক্ষ্য এনে হোৱা উচিত যাতে শিক্ষা গ্ৰহণৰ অন্তত

**ব্যক্তিকেন্দ্ৰিক আৰু সমাজকেন্দ্ৰিক লক্ষ্যৰ পাৰ্থক্য**

| ব্যক্তিকেন্দ্ৰিক লক্ষ্য | সমাজকেন্দ্ৰিক লক্ষ্য |
|---|---|
| (১) ব্যক্তিকেন্দ্ৰিক লক্ষ্য প্ৰকৃতিবাদৰ ওপৰত নিৰ্ভৰশীল। | (১) সমাজকেন্দ্ৰিক লক্ষ্য প্ৰয়োগবাদৰ ওপৰত নিৰ্ভৰশীল। |
| (২) মানুহৰ জৈৱিক অস্তিত্বৰ বিকাশৰ ওপৰত ই গুৰুত্ব দিয়ে। | (২) ই মানুহৰ সামাজিক যোগ্যতা লাভৰ ওপৰত গুৰুত্ব দিয়ে। |
| (৩) ব্যক্তি বিকাশৰ বাবে ই স্বাধীনতা প্ৰদান কৰে। | (৩) এই লক্ষ্যই ৰাষ্ট্ৰক ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰে। |
| (৪) এই লক্ষ্যই মনোবিজ্ঞানৰ নীতি আৰু পদ্ধতি সমৰ্থন কৰে। | (৪) এই লক্ষ্যই সমাজবিজ্ঞানৰ নীতি আৰু পদ্ধতি সমৰ্থন কৰে। |
| (৫) ব্যক্তিৰ প্ৰকৃতি আৰু প্ৰয়োজনৰ প্ৰতি এই লক্ষ্যই দৃষ্টি ৰাখে। | (৫) সমাজৰ প্ৰয়োজন আৰু সমস্যাৰ প্ৰতি এই লক্ষ্যই দৃষ্টি ৰাখে। |

**কাৰ্যাৱলী - ৭**

শিশুক সমাজৰ বাবে কিদৰে গঢ়ি তুলিব পাৰি আলোচনা কৰা। এই লক্ষ্যৰ প্ৰয়োজনীয়তা ক'ত।

DAILY ASSAM





শিক্ষাৰ্থীয়ে লাভ কৰা জ্ঞানেৰে জীৱন নিৰ্বাহ সুচাৰুৰূপে কৰিব পাৰে।

মানুহক উৎপাদনমুখী আৰু স্বাৱলম্বী কৰি তোলাটো শিক্ষাৰ অন্যতম উদ্দেশ্য হোৱা উচিত। জ্ঞান কেৱল আধ্যাত্মিক আৰু সৌন্দৰ্য্যবোধক বিষয় বুলি নাভাবি ব্যৱহাৰিক আৰু উৎপাদনকাৰী বিষয় স্বৰূপেহে বিবেচনা কৰিব লাগে। শিক্ষাৰ আত্মিক প্ৰয়োজনতকৈ আজিৰ শিল্প আৰু বিজ্ঞানমুখী সমাজত অৰ্থনৈতিক প্ৰয়োজন বেছি। বৰ্তমানৰ এনেবিধ প্ৰয়োজন পূৰণ কৰা শিক্ষাই হৈছে বৃত্তীয় শিক্ষা।

শিক্ষাবিদ টি ৰেমণ্টেও শিক্ষাৰ্থীক দৈনন্দিন জীৱনৰ অৰ্থনৈতিক দিশবোৰত প্ৰস্তুত কৰি তুলিবলৈ বৃত্তিমুখী বিষয়ৰ ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। তেওঁ শিক্ষানুষ্ঠানসমূহত বৃত্তিমূলক বিষয়ৰ যোগেদি শিক্ষাৰ্থীক ভৱিষ্যৎ জীৱনৰ অৰ্থনৈতিক ফালটোৰ প্ৰতি সাজু হ'বলৈ গুৰুত্ব দিছে। শিক্ষাৰ এটা প্ৰায়োগিক মূল্য থকাটো নিতান্ত প্ৰয়োজন বুলি শিক্ষাবিদসকলে ভাৱে। তাৰোপৰি বুদ্ধি বৃত্তিত নিম্নমানৰ শিক্ষাৰ্থীৰ বাবে যিহেতু উচ্চ শিক্ষা আশা কৰিব নোৱাৰি, সেয়েহে তেওঁলোকক এনে ধৰণৰ শিক্ষাৰ যোগেদি উপযুক্ত আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিব পৰা যায়। বৃত্তিমূলক শিক্ষাই এজন ব্যক্তিক সামাজিক যোগ্যতা অৰ্জন কৰিবলৈ সমৰ্থবান কৰায় আৰু সামাজিক যোগ্যতা থকা ব্যক্তিয়ে কেতিয়াও অইনৰ ওপৰত নিৰ্ভৰ কৰি চলিব নালাগে। মহাত্মা গান্ধীয়ে শিশুক বৃত্তিমুখী শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিছিল।

মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰাও বৰ্তমান শিক্ষাত বৃত্তীয় লক্ষ্যৰ প্ৰয়োজন অনুভৱ কৰা হয়। আধুনিক মনোবিজ্ঞানত ব্যক্তিৰ যোগ্যতা সম্বন্ধে নানাবিধ পৰীক্ষা-নিৰীক্ষা চলোৱা হয়। ইয়াৰ পৰা জানিব পৰা যায় যে, প্ৰতিটো বিশেষ কামৰ বাবে বিশেষ যোগ্যতাৰ প্ৰয়োজন আৰু এই যোগ্যতা সকলো লোকৰে সমানে নাথাকে। যিসকল ব্যক্তিৰ বিশেষ যোগ্যতা থাকে তেওঁলোকক নিৰ্বাচন কৰি উপযুক্ত বৃত্তীয় শিক্ষাৰে অধিক কাৰ্যক্ষম কৰি তোলাৰ প্ৰয়োজন অনুভৱ কৰা হয়। যোগ্যজনৰ যোগ্যতাৰ এনেদৰে সৎব্যৱহাৰ কৰিব পাৰিলেহে দেশৰ অৰ্থনৈতিক উৎপাদন বৃদ্ধি কৰি তুলিব পাৰি।

ওপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে, বৃত্তিমুখী শিক্ষাৰ লক্ষ্য আমাৰ ভাৰতবৰ্ষৰ বাবে গ্ৰহণযোগ্য শিক্ষাৰ লক্ষ্য। ভাৰতবৰ্ষৰ দৰে দুখীয়া দেশ এখনত ছাত্ৰ-ছাত্ৰীসকলক উৎপাদনমুখী কৰি তুলিব পৰাটো শিক্ষাৰ অতিকৈ প্ৰয়োজন। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ লগতে দেশৰ অৰ্থনৈতিক বিকাশতো সহায় কৰিব।

### বৃত্তিমুখী লক্ষ্যৰ প্ৰয়োজনীয়তা

১) বৃত্তিমুখী লক্ষ্যই এজন ব্যক্তিক স্বাৱলম্বী কৰি তোলে।

২) নিম্নমানৰ বুদ্ধিৰ শিশুৰ বাবে ই বিশেষভাৱে উপযোগী।

৩) দেশৰ উন্নতিৰ বাবে মানৱসম্পদ ব্যৱহাৰ হোৱাৰ ক্ষেত্ৰত ই সহায়কাৰী।

৪) বৃত্তিমুখী লক্ষ্যই সৎ আৰু উপযুক্ত নাগৰিক গঠনত সহায় কৰে।

৫) এই লক্ষ্যই অৰ্থনৈতিক আৰু সামাজিক সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত সহায় কৰে।

**বৃত্তিমুখী লক্ষ্যৰ সমালোচনা**

সাৰ্বজনীনভাৱে এই লক্ষ্য গ্ৰহণযোগ্য নহয়। মানৱ জীৱৰ সকলোবোৰ প্ৰয়োজন ই পূৰণ কৰিব নোৱাৰে।

শাৰীৰিক, মানসিক, আধ্যাত্মিক আদি সকলোবোৰ দিশ সাঙুৰিহে মানৱ জীৱনৰ বিকাশ সম্ভৱ হয়। বৃত্তিমুখী শিক্ষাই সামুহিক বিকাশৰ ক্ষেত্ৰত সহায় কৰিব নোৱাৰে। খন্তেকীয়া বৃত্তিয়ে বাস্তৱ জীৱনৰ নিৰ্দিষ্ট প্ৰয়োজন পূৰ কৰিব পাৰে যদিও ব্যক্তিৰ মানসিক বা আধ্যাত্মিক প্ৰয়োজন পূৰ কৰিব নোৱাৰে।

**উদাৰনৈতিক/সাংস্কৃতিক শিক্ষাৰ লক্ষ্য**

পুৰণি গ্ৰীক সমাজত আৰু ভাৰতীয় সমাজতো বিশ্বাস কৰা হয় যে মানুহৰ জৈৱিক প্ৰয়োজনৰ মাজত অন্তৰ্নিহিত হৈ থকা আত্মাক মুক্ত কৰাই হৈছে শিক্ষাৰ মূল লক্ষ্য। এনে আত্মিক উদ্ঘাটনৰ যোগেদিয়ে ব্যক্তিয়ে আত্ম-উপলব্ধি কৰিব পাৰে আৰু আত্ম-মুক্তি লাভ কৰিব পাৰে। শিক্ষাৰ যোগেদি ব্যক্তিয়ে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত থকা সম্বন্ধ বুজি উঠিব পাৰে। এই লক্ষ্যক সাংস্কৃতিক লক্ষ্য বুলিও জনা যায়। শিক্ষাৰ যোগেদি পূৰ্বপুৰুষসকলৰ ভাবধাৰা, কৃষ্টি-সংস্কৃতি উত্তৰ পুৰুষসকলে আয়ত্ত কৰিব পাৰে। শিক্ষাৰ লক্ষ্যই হৈছে পশুত্বৰ পৰা মনুষ্যত্বলৈ উন্নীতকৰণ কৰি মানুহৰ অন্তৰাত্মাৰ বিকাশ সাধন কৰা আৰু তাৰ যোগেদি এক আদৰ্শ মানৱ গঢ় দি তোলা।

যদিও বৃত্তিমুখী আৰু উদাৰনৈতিক/সাংস্কৃতিক লক্ষ্যৰ মাজত পাৰ্থক্য থকা দেখা যায় দুয়োবিধ শিক্ষাৰ লক্ষ্যৰ প্ৰধান উদ্দেশ্য হৈছে মানৱ সমাজৰ কল্যাণ সাধন কৰা।

**গণতান্ত্ৰিক লক্ষ্য**

শিক্ষাৰ বিভিন্ন লক্ষ্যৰ ভিতৰত গণতান্ত্ৰিক লক্ষ্য হৈছে অন্যতম। গণতন্ত্ৰৰ ইংৰাজী প্ৰতিশব্দ হৈছে, 'Democracy' যাৰ অৰ্থ হৈছে, জনসাধাৰণৰ ক্ষমতা অথবা ৰাইজৰ ক্ষমতা। গণতন্ত্ৰ সম্পৰ্কে বিভিন্নজনে বিভিন্ন সংজ্ঞা আগবঢ়ালেও আমেৰিকাৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে আগবাঢ়োৱা সংজ্ঞাটি উল্লেখযোগ্য। তেওঁৰ মতে, গণতন্ত্ৰ হৈছে, জনগণৰ কাৰণে, জনগণৰ দ্বাৰা আৰু জনগণৰ নিজৰ প্ৰশাসনৰ ব্যৱস্থা।

শিক্ষাৰ গণতান্ত্ৰিক লক্ষ্যই জনসাধাৰণৰ বিকাশ আৰু জনকল্যাণৰ ওপৰত গুৰুত্ব দিয়ে। গণতন্ত্ৰৰ মূল বৈশিষ্ট্য বা প্ৰমূল্যসমূহ হৈছে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়,

DAILY ASSAM



বিশ্বাস, চিন্তা তথা প্ৰকাশৰ ক্ষেত্ৰত স্বাধীনতা, সুযোগৰ ক্ষেত্ৰত সমতা, ভাতৃত্ব ভাৱ, সহযোগিতামূলক বসবাস, সহনশীলতা ইত্যাদি। গতিকে গণতন্ত্ৰত বিশ্বাসী দেশ এখনৰ শিক্ষাৰ লক্ষ্য স্থিৰ কৰোতেও ওপৰত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ প্ৰতি দৃষ্টি ৰাখি লক্ষ্য স্থিৰ কৰা হয়। গণতান্ত্ৰিক শিক্ষাৰ লক্ষ্যৰ মূল বৈশিষ্ট্য সমূহ হ'ল—

(ক) **ব্যক্তিত্বৰ বিকাশ ঃ** শিক্ষাৰ গণতান্ত্ৰিক লক্ষ্যৰ এক প্ৰধান উদ্দেশ্য বা লক্ষ্য হৈছে, দেশখনৰ নাগৰিকসকলৰ ব্যক্তিত্বৰ পূৰ্ণবিকাশ ঘটোৱা। পাঠ্যক্ৰমত সু-চিন্তিতভাৱে এনে ধৰণৰ বিষয় অন্তৰ্ভুক্ত কৰা উচিত যাৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ শাৰীৰিক, মানসিক, আৱেগিক আৰু বৌদ্ধিক বিকাশ সম্ভৱ হ'ব পাৰে।

(খ) **নেতৃত্বৰ বিকাশ ঃ** এখন গণতান্ত্ৰিক দেশৰ সফলতা নিৰ্ভৰ কৰে ঘাইকৈ নেতাসকলৰ বলিষ্ঠ নেতৃত্বৰ ওপৰত। দেশৰ সুযোগ্য নেতাৰ অভাৱ হ'লে দেশ কেতিয়াও উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। সেয়েহে গণতান্ত্ৰিক লক্ষ্যত শিক্ষাৰ্থীসকলক এনে ধৰণৰ শিক্ষা প্ৰদান কৰিব লাগে যাতে উপযুক্ত বয়সত তেওঁলোকে দেশখনৰ জনগণক নেতৃত্ব প্ৰদান কৰিব পাৰে। গতিকে শিক্ষাৰ্থীসকলক সৰুৰে পৰাই সামাজিক সেৱা, খেলা-ধূলা, এন,চি,চি, আলোচনা সভাৰ মাধ্যমেৰে নেতৃত্ব প্ৰদান কৰিব লাগে।

(গ) **নাগৰিকত্বৰ বিকাশ ঃ** গণতান্ত্ৰিক লক্ষ্যত সদায়েই শিক্ষাৰ্থীসকলক ভৱিষ্যতে এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। দায়িত্বশীল নাগৰিকৰ গুণসমূহ, যেনে— সহযোগিতা, সহিষ্ণুতা, দেশৰ আইন কানুন, ৰীতি-নীতিৰ ওপৰত বিশ্বাস আৰু আনুগত্য, অনুশাসন মানি চলাৰ মানসিকতা আদি আয়ত্ব কৰাৰ ওপৰত প্ৰাধান্য দিয়া হয়।

(ঘ) **বৃত্তিমূলক দক্ষতা আয়ত্তকৰণ ঃ** মুডালিয়াৰ আয়োগে বৃত্তিমূলক দক্ষতা লাভক গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ এক উল্লেখযোগ্য লক্ষ্য হিচাপে উল্লেখ কৰিছে। গণতান্ত্ৰিক দেশ এখনত শিক্ষাৰ্থীসকলৰ কৰ্মদক্ষতা বৃদ্ধি কৰি দেশৰ উৎপাদন বৃদ্ধিৰ বাবে দক্ষ ব্যক্তিৰ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়।

(ঙ) **সুচৰিত্ৰ গঠন ঃ** গণতান্ত্ৰিক দেশ এখনৰ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীসকলৰ নৈতিক চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব দিয়া হয়। সেয়েহে সততা, ন্যায়, সহনশীলতা, সত্যবাদিতা, সহানুভূতি, পৰোপকাৰ আদি মানৱীয় গুণসমূহৰ বিকাশ আৰু গঠনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজনীয় বিষয়ৰূপে বিবেচনা কৰা হয়।

গণতান্ত্ৰিক দেশ এখনত সকলো নাগৰিকৰ সম অধিকাৰ থাকে। শিক্ষাৰ ক্ষেত্ৰত

**কাৰ্যাৱলী - ৮**

তুমি তোমাৰ জীৱনত কি হ'বলৈ বিচাৰা? শিক্ষক, উকীল, প্ৰশাসক নে নিৰ্দেশক? ভালদৰে জীয়াই থাকিবলৈ শিক্ষাৰ কিয় প্ৰয়োজন?

গণতান্ত্ৰিক আদৰ্শৰ এক বিশেষ আৰু গুৰুত্বপূৰ্ণ তাৎপৰ্য আছে। কাৰণ গণতন্ত্ৰইহে মানুহৰ জীৱন শৃংখলাবদ্ধ আৰু সুস্থ ৰূপত গঢ় দিয়াত সহায় কৰে। গণতান্ত্ৰিক দেশ এখনত প্ৰত্যেক নাগৰিকে দেশ পৰিচালনা তথা শাসন কৰাৰ অধিকাৰ পায় আৰু ঠিক সেইদৰে প্ৰত্যেক নাগৰিকে দেশৰ প্ৰতি কিছুমান কৰ্তব্য আৰু দায়িত্ব পালন কৰিব লগা হয়। এই অধিকাৰ আৰু কৰ্তব্যৰ সম্পূৰ্ণ অৰ্থ বুজি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজকে গঢ় দিব পৰাকৈ শিক্ষা ব্যৱস্থা প্ৰস্তুত কৰিব লাগে।

### (গ) শিক্ষাৰ লগত বিভিন্ন বিষয়ৰ সম্বন্ধ

প্ৰত্যেক্ষভাৱেই হওঁক বা পৰোক্ষভাৱেই হওঁক শিক্ষা বিষয়ৰ লগত প্ৰায়বিলাক বিষয়ৰেই সম্বন্ধ আছে। শিক্ষাৰ পৰিসৰ সেয়েহে বিশাল আৰু গোটেই জীৱনযোৰা। কিছুমান বিশেষ বিষয়ৰ লগত শিক্ষাৰ সম্পৰ্ক প্ৰত্যক্ষ আৰু কিছুমানৰ লগত



DAILY ASSAM



পৰোক্ষ। তলত কেইটামান বিষয়ৰ লগত থকা শিক্ষাৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা হ'ল—

**জীৱবিদ্যাৰ লগত শিক্ষাৰ সম্বন্ধ**

শিক্ষাৰ লগত জীৱবিদ্যাৰ সম্পৰ্ক নিবিড়। জীৱবিদ্যা আৰু শিক্ষা দুয়োটা বিষয়েই ব্যক্তি আৰু পৰিৱেশৰ অধ্যয়ন কৰে। জীৱবিজ্ঞানে প্ৰাণীৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত পৰিৱেশ আৰু বংশগতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰে। মানুহৰ শিক্ষা আহৰণৰ ক্ষেত্ৰতো বংশ আৰু পৰিৱেশৰ প্ৰভাৱ সম্পৰ্কে বৰ্তমান বিস্তৃতভাৱে অধ্যয়ন কৰা হয়। ব্যক্তিগত বৈষম্যৰ আলোচনাৰ ক্ষেত্ৰত বংশগতিৰ অধ্যয়ন অপৰিহাৰ্য। এই বিষয় দুটা মূলতঃ জীৱবিদ্যাৰ অন্তৰ্গত। গতিকে স্বাভাৱিকতেই শিক্ষাই জীৱবিদ্যাৰ ওচৰ চাপিবলগীয়া হয়।

জীৱবিদ্যাই ব্যক্তিৰ শাৰীৰিক বিকাশ সম্পৰ্কে অধ্যয়ন কৰে। শিক্ষাই ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশ সম্পৰ্কে অধ্যয়ন কৰে।

পৰিৱেশৰ ক্ষেত্ৰত জীৱবিদ্যাই প্ৰাকৃতিক পৰিৱেশ আৰু ব্যক্তিৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱৰ কথা সূচায় আৰু শিক্ষাই প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশৰ ব্যক্তিৰ ওপৰত পৰা প্ৰভাৱৰ কথা সূচায়। জীৱবিদ্যাই জীৱৰ ক্ৰমবিকাশ, ইন্দ্ৰিয়সমূহ, জিন, হৰমʼন আদি সম্বন্ধে অধ্যয়ন কৰে। শিক্ষাই উপৰোক্ত দিশসমূহত আমাৰ জ্ঞান বৃদ্ধিত সহায় কৰে।

**শিক্ষাৰ লগত সমাজশাস্ত্ৰ বিজ্ঞানৰ সম্বন্ধ**

শিক্ষা হৈছে এক বহল পৰিসৰৰ। শিক্ষাৰ দ্বাৰা শিক্ষাৰ্থীয়ে বিভিন্ন অভিজ্ঞতা আহৰণ কৰি জ্ঞান অৰ্জন কৰে। ই ব্যক্তিৰ আচৰণ মাৰ্জিত ৰূপত গঢ় দি তোলাত সহায় কৰে। ব্যক্তিগত আচৰণ প্ৰক্ৰিয়াৰ ৰূপান্তৰ কৰি শিক্ষাই সামাজিক জীৱন প্ৰক্ৰিয়াৰো ৰূপান্তৰ প্ৰক্ৰিয়াক অতি গতিশীল কৰি তোলে। কাৰিকৰী দিশত শিক্ষা হৈছে, এনে এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা সমাজে স্কুল কলেজ আদিৰ মাধ্যমেৰে সাংস্কৃতিক ঐতিহ্য, মূল্যবোধ, দক্ষতা পৰম্পৰাগতভাৱে প্ৰদান কৰে। সাধাৰণ অৰ্থত শিক্ষানুষ্ঠানত শিক্ষকে ছাত্ৰক প্ৰদান কৰা জ্ঞানকে শিক্ষাকাৰ্যত অন্তৰ্ভুক্ত কৰা হয়। অৱশ্যে আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ প্ৰচলনো সমাজত থকা দেখা যায়।

**কাৰ্যাৱলী - ৯**

শ্ৰেণীকোঠাত দলত বিভক্ত হৈ 'শিক্ষাৰ লগত জীৱবিদ্যাৰ সম্বন্ধ' থকা আন দিশবোৰ আলোচনা কৰা।

'সমাজশাস্ত্র বিজ্ঞানৰ' ইংৰাজী প্ৰতিশব্দ হৈছে 'Sociology'. এই 'Sociology' শব্দটো মূলতঃ লেটিন শব্দ 'Socius' অৰ্থাৎ একেলগে থকা (Companion) বা সমাজ আৰু গ্ৰীক শব্দ 'Logos' অৰ্থাৎ জ্ঞান বা 'Scientific Study' অৰ্থাৎ বিজ্ঞান সন্মত অধ্যয়নৰ পৰা উৎপত্তি হৈছে। যি বিজ্ঞানে সমাজৰ বিষয়ে প্ৰণালীৱদ্ধ অধ্যয়ন চলায় তেনে বিজ্ঞানক সৰল অৰ্থত সমাজ শাস্ত্ৰ বিজ্ঞান বুলি কোৱা হয়।

অতি সৰল দৃষ্টিভংগীত সমাজ শাস্ত্ৰ বিজ্ঞান হৈছে সামাজিক জীৱন সম্পৰ্কীয় বিজ্ঞান, অৰ্থাৎ যি বিজ্ঞানে মানুহৰ সামাজিক জীৱন আৰু তেওঁৰ সমাজ শাস্ত্ৰ সম্পৰ্কে প্ৰণালীৱদ্ধভাৱে অধ্যয়ন কৰে। সমাজ বিজ্ঞানৰ আলোচ্য বিষয়বস্তু হৈছে, মানুহৰ জীৱন প্ৰক্ৰিয়া, কাৰ্যকলাপ, দলীয় আচৰণ, ৰুচিবোধ, আচাৰ ব্যৱহাৰ, জাতি আৰু সম্প্ৰদায় সম্পৰ্কীয় চেতনাৰ স্বৰূপ নিৰ্ণয়, সংস্কৃতি সভ্যতা আদি। সমাজৰ উৎপত্তি, উত্থান-পতন, ক্ৰমবিকাশ আৰু বিবৰ্তন, সামাজিক সম্পৰ্ক, সামাজিক জীৱন প্ৰণালীৰ বিশেষত্ব। সামাজিক আচৰণ, ক্ৰিয়াকলাপ আদি ধাৰাবাহিকভাৱে বিচাৰ বিশ্লেষণ কৰাটোৱে হৈছে, এই অধ্যয়নৰ প্ৰধান কাম।

শিক্ষা আৰু সমাজশাস্ত্ৰ বিজ্ঞানৰ সম্পৰ্ক সদায় তৰ্কৰ বিষয় হৈ আহিছে। এক পক্ষৰ মতে, সমাজৰ পৰা অসমতা দূৰ কৰিব লাগে আৰু আন পক্ষৰ মতে, শিক্ষাৰ প্ৰধান কাম হৈছে, সমাজত সমতাৰ স্থিতিৰ বিকাশ কৰা। অৰ্থাৎ শিক্ষাই সমতা বা অসমতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ চেষ্টা কৰে। যিসকল সমাজ বিজ্ঞানীয়ে দ্বিতীয় তত্ত্বক বিশ্বাস কৰে, তেওঁলোকৰ মতে শিক্ষা হৈছে, এক সামাজিক প্ৰচেষ্টা (effort) যি সমাজে বিচৰা ধৰণে চলি যায়। সমাজখন চলে সমাজত বসবাস কৰা গৰিষ্ঠসংখ্যক উচ্চ শ্ৰেণীৰ মতাদৰ্শেৰে। প্ৰথম তত্ত্ববাদীসকলক প্ৰত্যক্ষবাদী (Positivist) আৰু দ্বিতীয় তত্ত্ববাদীসকলক নঞাৰ্থক (Negativist) বুলি আখ্যা দিব পাৰি।

শিক্ষা আৰু সমাজশাস্ত্ৰ বিজ্ঞানৰ মাজত ওতঃপ্ৰোত সম্বন্ধ থকা দেখা যায়। বিশেষজ্ঞ সকলৰ দৃষ্টিভংগীত সমাজৰ সহায় নোহোৱাকৈ ব্যক্তিৰ কোনো ভৱিষ্যত থাকিব নোৱাৰে। সমাজক অৱজ্ঞা কৰি একমাত্ৰ ব্যক্তি স্বাৰ্থৰ ওপৰত প্ৰাধান্যতা প্ৰদান কৰি শিক্ষাৰ কথা ভৱাটো পক্ষপাতিত্বৰ পৰিচায়ক হ'ব। গতিকে, ব্যক্তি আৰু সমাজ উভয়ৰে কথা চিন্তা কৰিহে শিক্ষাৰ বিষয়ে চিন্তা কৰা উচিত। শিক্ষা আৰু সমাজশাস্ত্ৰ বিজ্ঞানক এটা মুদ্ৰাৰ দুটা পিঠি স্বৰূপে অভিহিত কৰিব পাৰি।

DAILY ASSAM



### শিক্ষা আৰু দৰ্শনৰ সম্বন্ধ

শিক্ষা আৰু দৰ্শন ওতঃপ্ৰোতভাৱে জড়িত।

শিক্ষাৰ লগত দৰ্শনৰ ওতঃপ্ৰোত সম্বন্ধ আছে। সাধাৰণতে 'দৰ্শন' মানে চকুৰে দেখা বুজায়। কিন্তু, ভাৰতীয় সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত দৰ্শনশাস্ত্ৰৰ 'দৰ্শন' শব্দটোৱে কেৱল চকুৰে দেখাকে বুজোৱা নাই, ই তত্ত্ব দৰ্শন অৰ্থাৎ জ্ঞানৰ চকুৰে জগতৰ প্ৰকৃত ৰূপ দেখাৰ কথাকে সুচাইছে। 'দৰ্শন' মানে হৈছে, 'সত্যৰ উপলব্ধি'।

বৰ্তমান শিক্ষাৰ প্ৰতিটো দিশতে দৰ্শনৰ প্ৰভাৱ সুস্পষ্টভাৱে পৰা দেখিবলৈ পোৱা যায়। প্লেটোৱে মত পোষণ কৰিছিল যে, যি জনৰ জ্ঞানৰ প্ৰতি মোহ আছে, যিজন কৌতুহলী আৰু যি জনে জ্ঞান লাভ কৰিলেও সম্পূৰ্ণভাৱে সন্তুষ্ট নহয়, সেইজনেই দাৰ্শনিক। পৃথিৱীৰ প্ৰত্যেকজন দাৰ্শনিকৰেই জীৱন দৰ্শন বেলেগ বেলেগ। তেওঁলোকে জীৱনটোক প্ৰত্যেকেই পৃথক পৃথক দৃষ্টিভংগীৰে প্ৰত্যক্ষ কৰে। সেয়ে তেওঁলোকৰ দৰ্শন। সেইবাবেই আমি বিভিন্ন দাৰ্শনিকৰ মাজত বিভিন্ন মতবাদ থকা দেখা পাওঁ। উদাহৰণস্বৰূপে, প্লেটোৰ 'আদৰ্শবাদ', এৰিষ্ট'টোল, স্পেনচাৰ, ৰুচো আদিৰ 'প্ৰকৃতিবাদ', ছক্ৰেটিছ, কাণ্ট, হেগেল আদি দাৰ্শনিকৰ 'ভাৱবাদ' আদি উল্লেখ কৰিব পাৰি। এই আটাইবোৰ দাৰ্শনিক মতবাদৰেই শিক্ষাৰ ক্ষেত্ৰত বিশিষ্ট অৱদান আছে।

এখন দেশৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য নিৰূপন কৰে দৰ্শনেহে। সেয়েহে প্ৰত্যেক দেশৰে শিক্ষাৰ লক্ষ্য সম্বন্ধে আলোচনা কৰিলে বিভিন্নতা প্ৰত্যক্ষ কৰা হয়। দেশখনৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য সম্বন্ধে আলোচনা কৰিলেই তাৰ লোকসকল কোন দৰ্শনত বিশ্বাসী তাৰ উমান পোৱা যায়।

ব্যক্তিৰ আচৰণ সংশোধন কৰাৰ ক্ষেত্ৰত দৰ্শনে নীতি নিৰ্দেশনা নিৰ্ধাৰণ কৰে। শিক্ষাৰ লক্ষ্যইও ব্যক্তিৰ আচৰণৰ সংশোধন কৰি আদৰ্শ ব্যক্তি গঢ়ি উঠাৰ ওপৰত গুৰুত্ব দিয়ে।

দৰ্শনে জীৱনৰ মূল্যবোধ সম্পৰ্কে অৱগত কৰোৱায়। শিক্ষাই সেইবোৰৰ কাৰ্যকৰীকৰণত সহায় কৰে।

দৰ্শনে শিক্ষাৰ লক্ষ্য নিৰূপণ কৰে।

**মনত ৰাখিবলগীয়া**

(১) শিক্ষাক দৰ্শনৰ গতিশীল ৰূপ বুলি কোৱা হয়।

(২) পৃথিৱীৰ বিখ্যাত দাৰ্শনিক সকল আছিল একোজন সুদক্ষ শিক্ষাবিদ।

(৩) দৰ্শনেহে শিক্ষাক প্ৰকৃত লক্ষ্যত উপনীত কৰাব পাৰে।

পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ ক্ষেত্ৰত, শিক্ষণ পদ্ধতি, অনুশাসন মানি চলা ক্ষেত্ৰত দৰ্শনৰ প্ৰভাৱ যথেষ্ট গুৰুত্বপূৰ্ণ।

**শিক্ষাৰ লগত অৰ্থবিজ্ঞানৰ সম্বন্ধ**

শিক্ষা আৰু অৰ্থনীতি গভীৰভাৱে জড়িত। অৰ্থনীতি মানে হ'ল সম্পদৰ অধ্যয়ন। চিন্তাবিদ সকলে কয় যে, শিক্ষাৰ অন্যতম লক্ষ্য হৈছে, আৰ্থিকভাৱে স্বাৱলম্বী হোৱা। এই ক্ষেত্ৰত শিক্ষাৰ লগত অৰ্থনীতিৰ সম্বন্ধৰ কথা আহি পৰে। এখন দেশৰ অৰ্থনৈতিক অৱস্থাৰ লগত দেশখনৰ শিক্ষা ব্যৱস্থাৰ পাৰস্পৰিক সম্বন্ধ আছে। যিখন দেশ অৰ্থনৈতিকভাৱে শক্তিশালী, সেইখন দেশৰ শিক্ষাৰ মানদণ্ডও উচ্চ। অৰ্থনৈতিকভাৱে পিছপৰা দেশ এখনে ছাত্ৰ-ছাত্ৰীক উচিত সা-সুবিধা প্ৰদান কৰিব নোৱাৰে। ফলত সেই দেশৰ শিক্ষাব্যৱস্থা নিম্নগামী হয়।

অৰ্থনীতিয়ে এজন ব্যক্তিক এজন সুদক্ষ উৎপাদনশীল ব্যক্তি হোৱাত সহায় কৰে। ইয়াৰ দ্বাৰা ব্যক্তিয়ে ব্যক্তিগত আৰু ৰাষ্ট্ৰৰ উপকাৰ সাধন কৰিব পাৰে। এই লক্ষ্য পূৰণ কৰাৰ একমাত্ৰ মাধ্যম হৈছে শিক্ষা। শিক্ষাই দৰিদ্ৰতা নিবাৰণ আৰু মানুহৰ জীৱিকাৰ মানদণ্ড উন্নত কৰাত সহায় কৰে। আজিৰ প্ৰতিযোগিতামূলক পৃথিৱীখনত ধৰ্ম, সংস্কৃতি আৰু সাহিত্যৰ বিশেষ গুৰুত্ব নাই যদিহে, মানুহ এজনৰ জীৱিকা আৰু তেওঁৰ আৰ্থ-সামাজিক মানদণ্ড উন্নত নহয়। বৃত্তিমুখী শিক্ষাৰ লক্ষ্যই হৈছে মানুহক উৎপাদনমুখী আৰু স্বাৱলম্বী কৰি তোলা।

অৰ্থবিজ্ঞানে অধ্যয়ন কৰা শিক্ষাৰ প্ৰধান দিশসমূহ হ'ল—

শিক্ষা আৰু আৰ্থিক বিকাশ, শৈক্ষিক মূলধনৰ ধাৰণা আৰু জোখ, অৰ্থনৈতিক উপকাৰৰ কাৰণে শিক্ষা পৰিকল্পনা— ব্যক্তিগত আৰু সমষ্টিগত, শিক্ষাৰ অৰ্থ যোগান আৰু ব্যয়।

**শিক্ষাৰ লগত পৰিসংখ্যা বিজ্ঞানৰ সম্বন্ধ**

কিছুমান বিষয়ৰ সংখ্যামূলক তথ্যক সজাই পৰাই আৰু তথ্যসমূহক বিশ্লেষণ কৰি বিভিন্ন সূত্ৰ উদ্ভাৱন কৰা বিজ্ঞানৰ শাখাটোক

মনত ৰাখিবলগীয়া—

কংগো প্ৰাকৃতিক সম্পদত চহকী। কিন্তু, অৰ্থনৈতিকভাৱে পিচপৰা দেশ। হলেণ্ড, ডেনমাৰ্ক আদি অৰ্থনৈতিক ক্ষেত্ৰত চহকী। কিন্তু, প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত পিচপৰা। একমাত্ৰ শিক্ষাইহে এখন দেশক অৰ্থনৈতিকভাৱে সবল কৰি তুলিব পাৰে।

DAILY ASSAM



পৰিসংখ্যা বিজ্ঞান বোলা হয়। শিক্ষাই তথ্যসমূহ সংগ্ৰহ কৰাৰ পৰা উপস্থাপিত কৰালৈকে সহায় কৰে।

শিক্ষাৰ লগত পৰিসংখ্যা বিজ্ঞানৰ যথেষ্ট সম্বন্ধ আছে। ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন ব্যৱস্থা, শিক্ষণ পদ্ধতি, মানসিক শক্তিসমূহৰ পৰিমাপণ, পৰীক্ষাৰ ফলাফল নিৰ্ণয়, গৱেষণা আদিৰ ক্ষেত্ৰত পৰিসংখ্যা বিজ্ঞানৰ সফল প্ৰয়োগ হৈছেবুলিব পাৰি।

অৰ্থনীতি, কৃষি, মনোবিজ্ঞান আদি সকলো ক্ষেত্ৰতে পৰিসংখ্যা বিজ্ঞানৰ ব্যৱহাৰ কৰা হয়। ই অতি সহজে বুজি পোৱাকৈ তথ্যসমূহ উপস্থাপন কৰে।

যিকোনো বিষয়ৰ সাংখ্যিক পৰিমাপণ পোৱাৰ ক্ষেত্ৰত পৰিসংখ্যা বিজ্ঞানে সহায় কৰে। উদাহৰণস্বৰূপে এখন 'প্ৰশ্ন' ছাত্ৰ-ছাত্ৰীৰ বাবে উপুক্ত হৈছে নে নাই, ইয়াৰ সহায়ত জানিব পাৰি। ছাত্ৰই পোৱা নম্বৰসমূহ বাৰংবাৰতা বিতৰণ তালিকাত উপস্থাপন কৰি আৰু পাছত ৰেখাচিত্ৰৰ সহায়ত উপযুক্ত ফলাফল লাভ কৰিব পাৰি। প্ৰশ্নখন যদি অতি সহজ হয় অধিক ছাত্ৰই ভাল ফল দেখুৱাব আৰু যদি অধিক কঠিন হয় , কম সংখ্যক ছাত্ৰই ভাল ফল দেখুৱাব। প্ৰশ্নখন ভাল বুলি বিবেচিত হ'ব যদিহে সৰ্বোচ্চ আৰু সৰ্বনিম্ন নম্বৰৰ মাজত কেন্দ্ৰীয় প্ৰৱণতাৰে ফলবোৰ বিস্তৃত হৈ থাকে। এইদৰে ছাত্ৰৰ বৌদ্ধিক যোগ্যতাও নিৰূপণ কৰিব পাৰি।

পৰিসংখ্যা বিজ্ঞানৰ সহায়ত কোনো তথ্যৰ গড়, মধ্যমা, ভেদ্যতা, গ্ৰাফ, সহসম্বন্ধ নিৰ্ভৰযোগ্যতা আদি পৰিমাপ কৰি উলিওৱা হয়। শিক্ষাৰ ক্ষেত্ৰত হোৱা বিভিন্ন গৱেষণা, অধ্যয়ন আদিত পৰিসংখ্যা বিজ্ঞানৰ বিভিন্ন সূত্ৰৰ ব্যৱহাৰ বৰ্তমান হ'ব ধৰিছে।

### কাৰ্যাৱলী - ১০

তোমাৰ শ্ৰেণীৰ কিমান ছাত্ৰ গান, কলা, নাটকত আগ্ৰহী। তেওঁলোকৰ আগ্ৰহৰ দিশসমূহ উপস্থাপন কৰি বাৰংবাৰতা তালিকা এখন প্ৰস্তুত কৰা। এই ব্যৱস্থাই তোমাক প্ৰতিযোগিতাৰ বাবে ছাত্ৰ নিৰ্বাচনত সহায় কৰিব।

## সাৰাংশ

- শিক্ষা হৈছে অতি ব্যাপক পৰিসৰৰ। ই আমাৰ জীৱনৰ প্ৰতিটো কথাকেই স্পৰ্শ কৰে। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। ই মানুহক জ্ঞানৰ পোহৰ দি অন্যান্য জীৱ-জন্তুৰ পৰা পৃথক কৰি ৰাখে।
- শিক্ষাক সংকীৰ্ণ আৰু ব্যাপক অৰ্থত, দ্বিপক্ষীয় আৰু ত্ৰিপক্ষীয় প্ৰক্ৰিয়াস্বৰূপে, জীৱন ব্যাপি চলা প্ৰক্ৰিয়া স্বৰূপে, আচৰণৰ সংশোধনস্বৰূপে আৰু সমাজ পৰিৱৰ্তনৰ আহিলাস্বৰূপে প্ৰকাশ কৰিব পাৰি।
- বিভিন্ন প্ৰকাৰৰ শিক্ষা হৈছে— আনুষ্ঠানিক শিক্ষা অনানুষ্ঠানিক আৰু অনৌপচাৰিক শিক্ষা। আনুষ্ঠানিক শিক্ষা বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ দ্বাৰা প্ৰদান কৰা হয়। গৃহ, অনাতাঁৰ, বোলছবি, ৰাজহুৱা পুথিভঁৰাল আদিৰ মাধ্যমেৰে অনানুষ্ঠানিক শিক্ষা প্ৰদান কৰা হয় আৰু যোগাযোগ পাঠ্যক্ৰম, মুক্ত বিশ্ববিদ্যালয় নবীকৰণ পাঠ্যক্ৰম আদিৰ দ্বাৰা অনৌপচাৰিক শিক্ষা প্ৰদান কৰা হয়।
- শিক্ষা হৈছে পূৰ্বপৰিকল্পিত আৰু সুসংগঠিত প্ৰক্ৰিয়া যাৰ সহায়ত ব্যক্তিৰ আচৰণৰ সংশোধন কৰিবলৈ বিচৰা হয়। অৰ্থপূৰ্ণ জীৱন নিৰ্বাহ কৰিবলৈ নিৰ্দেশনাৰ প্ৰয়োজন আৰু এনে নিৰ্দেশনা প্ৰদান কৰে শিক্ষাৰ লক্ষ্যই।
- বিভিন্ন ধৰণৰ শিক্ষাৰ লক্ষ্যসমূহ হৈছে ব্যক্তিকেন্দ্ৰিক লক্ষ্য, সমাজকেন্দ্ৰিক, বৃত্তিমুখী লক্ষ্য আৰু গণতান্ত্ৰিক লক্ষ্য। ব্যক্তিকেন্দ্ৰিক লক্ষ্যই শিক্ষাৰ দ্বাৰা বক্তিগত বিকাশ হোৱাৰ ওপৰত গুৰুত্ব দিয়ে। সমাজকেন্দ্ৰিক লক্ষ্যই কয় যে ব্যক্তিৰ বিকাশৰ বাবে সমাজৰ বিকাশ হোৱা অতি প্ৰয়োজন। গতিকে সৰ্বপ্ৰথমে সমাজৰ বিকাশৰ ওপৰতহে গুৰুত্ব দিব লাগে। বৃত্তিমুখী লক্ষ্যই এজন ব্যক্তিক স্বাৱলম্বী কৰি তোলে। শিক্ষাৰ লক্ষ্য এনে হোৱা উচিত যাতে শিক্ষা গ্ৰহণৰ অন্তত শিক্ষাৰ্থীয়ে লাভ কৰা জ্ঞানেৰে জীৱন নিৰ্বাহ সুচাৰুৰূপে কৰিব পাৰে। শিক্ষাৰ গণতান্ত্ৰিক লক্ষ্যই জনসাধাৰণৰ বিকাশ আৰু জনকল্যাণৰ ওপৰত গুৰুত্ব দিয়ে।
- শিক্ষাৰ লগত জীৱবিদ্যা, সমাজশাস্ত্ৰ বিজ্ঞান, দৰ্শন, অৰ্থবিজ্ঞান আৰু পৰিসংখ্যা বিজ্ঞানৰ ঘনিষ্ঠ সম্বন্ধ আছে।

DAILY ASSAM



## প্ৰশ্নাৱলী

(১) 'Education' শব্দটোৰ উৎপত্তি ব্যাখ্যা কৰা।
(২) শিক্ষা কি? সংজ্ঞাসহকাৰে ইয়াৰ অৰ্থ ব্যাখ্যা কৰা।
(৩) সংকীৰ্ণ আৰু ব্যাপক অৰ্থত শিক্ষা বুলিলে কি বুজা?
(৪) শিক্ষাৰ দ্বিপক্ষীয় আৰু ত্ৰিপক্ষীয় প্ৰক্ৰিয়া বুলিলে কি বুজা?
(৫) শিক্ষাৰ পৰিসৰ মানে কি?
(৬) আনুষ্ঠানিক শিক্ষা বুলিলে কি বুজায়?
(৭) অনানুষ্ঠানিক শিক্ষা বুলিলে কি বুজায়?
(৮) আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজত থকা পাৰ্থক্য তিনিটা উল্লেখ কৰা।
(৯) অনৌপচাৰিক শিক্ষা কাক বোলে? আনুষ্ঠানিক শিক্ষাৰ লগত ইয়াৰ পাৰ্থক্য ক'ত?
(১০) ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ গুৰি ধৰোতা কোন?
(১১) শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক আৰু সমাজকেন্দ্ৰিক লক্ষ্যৰ বিষয়ে লিখা।
(১২) 'শিক্ষাৰ সমাজকেন্দ্ৰিক আৰু ব্যক্তিকেন্দ্ৰিক লক্ষ্য এটা আনটোৰ পৰস্পৰ বিৰোধী নহয় বৰং পৰিপূৰকহে' কথাফাঁকিৰ তাৎপৰ্য ব্যাখ্যা কৰা।
(১৩) শিক্ষাৰ বৃত্তিমূলক লক্ষ্য কি? সমাজত এই লক্ষ্যক কিয় অগ্ৰাধিকাৰ দিয়া হয়?
(১৪) এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত শিক্ষাৰ লক্ষ্য কি হোৱা উচিত?
(১৫) শিক্ষা আৰু নিম্নলিখিত বিষয়বোৰৰ সম্বন্ধ লিখা।
 (ক) শিক্ষা আৰু জীৱবিদ্যা
 (খ) শিক্ষা আৰু সমাজবিজ্ঞান
 (গ) শিক্ষা আৰু দৰ্শন
 (ঘ) শিক্ষা আৰু অৰ্থনীতি
 (ঙ) শিক্ষা আৰু পৰিসংখ্যা বিজ্ঞান।

## প্ৰসংগ গ্ৰন্থসমূহ

(1) V. R. Taneja (1988) : Foundation of Education; Philosophical and Sociological, Ivory Printers, Chandigarh.

(2) Jatin Barua (2001) : An Introduction to Education Jayasree Press 91/1B. Baithakkhana Road, Kolkata-7000009.

(3) Dr. Mukul Sarma (2006) : উচ্চতৰ মাধ্যমিক 'শিক্ষা', ষ্টুডেণ্টচ এম্‌পোৰিয়াম, ডিব্ৰুগড়।

(4) Safaya and Shaida : Modern Theory and Principles of Education.Dhanpat Rai Publishing Company Ltd.

(5) NCERT (2006) : Psychology : Textbook for Class XI.National Council of Education Research and Training 2006.

DAILY ASSAM